www.ekolomasom.com

মাহেকীয়া ই-আলোচনী

# কথা-কাঞ্চন

ষষ্ঠ বছৰ, সপ্তম সংখ্যা, এপ্ৰিল, ২০২৬



# কথা-কাঞ্চন


মাহেকীয়া ই-আলোচনী

ষষ্ঠ বছৰ, সপ্তম সংখ্যা

প্ৰকাশ কাল ঃ এপ্ৰিল, ২০২৬

www.ekolomasom.com


## কথা-কাঞ্চনৰ নেপথ্যত


**উপদেষ্টা মণ্ডলী**

সত্যেন্দ্ৰ বৰদলৈ, কুশল দত্ত

**সম্পাদক**

পাপৰি দত্ত

**সম্পাদনা সমিতি**

ডাº ৰিতী কৌশিক, মৌচুমী বৰি, ঝৰ্ণা শৰ্মা দেৱচৌধুৰী, ডº চয়নিকা শইকীয়া,

ডº ময়ূৰী শইকীয়া, ডº জিতা ফুকন

**কাৰিকৰী বিভাগ**

পাপৰি দত্ত, কাকলি বৰা

**আৰ্হি কাকত শুধৰাওঁতা**

খনিন্দ্ৰ ভূষণ মহন্ত, মৌচুমী বৰি

**বিশেষ কৃতজ্ঞতা**

অন্তৰীক্ষা চেতিয়া, সমূহ লেখক-লেখিকা আৰু কথা-কাঞ্চনৰ পঢ়ুৱৈবৃন্দ।

**বেটুপাত,**

**ছ'চিয়েল মিডিয়া আৰু গ্ৰাফিক ডিজাইন**

অবিনাশ শৰ্মা

**ফ্লিপবুক ঃ** বিশ্বজিৎ গগৈ


*বিঃদ্ৰঃ কথা-কাঞ্চনত প্ৰকাশিত লেখাসমূহৰ তথ্য, আদৰ্শ তথা অনুভৱ লেখকসকলৰ একান্ত ব্যক্তিগত। এইক্ষেত্ৰত কথা-কাঞ্চন দায়বদ্ধ নহয়।*

*(আলোচনীত সন্নিবিষ্ট কিছু ফটো ইণ্টাৰনেটৰ পৰা লোৱা হৈছে)*


**যোগাযোগৰ ঠিকনা ঃ**

www.ekolomasom.com

ekolomasom@gmail.com

# সূচীপত্ৰ


| | | |
|---|---|---|
| **সম্পাদকৰ মেজৰ পৰা** | ✍ পাপৰি দত্ত | ৪-৫ |
| **উপদেষ্টাৰ একলম** | | ৬ -৮ |
| ➢ ইতিহাসৰ প্ৰলয় আৰু অসমৰ আত্মসত্তা | ✍ সত্যেন্দ্ৰ বৰদলৈ | |
| **প্ৰবন্ধ** | | ৯ - ২৪ |
| ➢ সময়ৰ সোঁতত গছতলৰ বিহু | ✍ ৰশ্মি ৰেখা দুৱৰা | |
| ➢ বিহু আৰু লোকবাদ্য | ✍ বিশ্বজিৎ ডি. চেতিয়া | |
| ➢ কাকৈখনি | ✍ দীপশিখা হাজৰিকা বৰুৱা | |
| ➢ বৰ্তমান সমাজত স্ত্ৰী শিক্ষাৰ ভূমিকা | ✍ ৰেখামণি চাৰিঙীয়া | |
| ➢ আমি দিব পাৰোঁ মাত্ৰ আমাৰ লগত থকাখিনিয়েই | ✍ ৰীণা বিশ্বাস | |
| ➢ অসমত কৃষি ব্যৱসায় আৰু কৰ্ম সংস্থাপনৰ পৰিসৰ | ✍ ড° লিপিকা তালুকদাৰ | |
| **কবিতা** | | ২৫ - ২৬ |
| ➢ নিখোজ অস্তিত্বৰ সন্ধানত মৌনতাৰ সমদল | ✍ মানৱী বৰা | |
| ➢ কি সময় আছিল সেয়া | ✍ নূপুৰ হাজৰিকা | |
| ➢ অগ্নিস্নান | ✍ ডামিনী তালুকদাৰ | |
| **গল্প** | | ২৭ - ৩৬ |
| ➢ চাৰে চাৰি ফুটৰ খেল | ✍ পঙ্কজ ফুকন | |
| ➢ প্ৰতীক্ষাত এচাটি শুকুলা পোহৰ | ✍ ৰূপজ্যোতি গগৈ | |
| ➢ কঁপি উঠা ৰামধেনু | ✍ মুন ৰাজবংশী | |
| **অণুগল্প** ➢ অব্যক্ত | ✍ মাকনি গোস্বামী | ৩৬ |
| **ধাৰাবাহিক উপন্যাস** ➢ দুঃস্বপ্ন (খণ্ড- ১৪) | ✍ বহ্নিমান কাশ্যপ | ৩৭ -৩৯ |
| **খাদ্যৰ জুতি** | ✍ পম্পী শৰ্মা খাউণ্ড | ৪০ -৪১ |
| **বিবিধা** ➢ চেনেহৰ ব'হাগ বিহু | ✍ ৰাজশ্ৰী হাজৰিকা | ৪২ - ৪৪ |
| **সাম্প্ৰতিক ঘটনা প্ৰবাহ** | ✍ অন্তৰীক্ষা চেতিয়া | ৪৫ -৪৬ |
| **শিশু-কিশোৰ** ➢ লক্ষ্যবিহীন | ✍ বিতোপন লুখুৰাখন | ৪৭ |
| **চিত্ৰ-বীথিকা** | ৰোহিত পেগু, প্ৰেৰণা দলে | ৪৮ |
| **শেষ পৃষ্ঠাৰ আলোকচিত্ৰ** | কাব্যা গৌতম | ৪৯ |

# সম্পাদকৰ মেজৰ পৰা ...



## এইবাৰৰ বিহু আৰু এটি বিক্ষিপ্ত চিন্তা

**"চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি...**
**ফুলিলে ভেবেলী লতা...**
**কৈনো কৈ থাকিলে ওৰকে নপৰে**
**ৰঙালী বিহুৰে কথা।"**

চ'ত মাহ সোমোৱাৰ লগেলগে আমাৰ অসমীয়াৰ ৰঙালী বিহুৰ প্ৰস্তুতিও আৰম্ভ হৈ যায়। পৰম্পৰাগতভাৱে ৰঙালী বিহু অথবা ব'হাগ বিহু অসমত সাত দিনীয়াকৈ উদ্‌যাপন কৰা হয়। মূলতঃ অসমীয়াৰ নৱবৰ্ষ ব'হাগক আদৰণি জনোৱাৰ উদ্দেশ্যে এই উৎসৱ পালন কৰা হয়। ৰঙালী বিহুক বসন্ত উৎসৱ বুলি কোৱা হয়, কাৰণ এই সময়তে শস্যৰ বীজ সিঁচাৰ সময় আৰম্ভ হয়। পৰম্পৰাগত বিহু নৃত্য, সংগীত, পিঠা - জলপানৰ পৰিৱেশন, বিহুৱান বা গামোছাৰ আদান-প্ৰদান আদিয়ে আনন্দ, নৱীকৰণ আৰু কৃষি সমৃদ্ধিৰ সূচনা কৰে।

ঢোল-পেঁপা-গগনাৰ শব্দৰ পৰাই গম পোৱা যায় বিহুৰ প্ৰস্তুতিৰ কথা। গাঁও, চহৰ সকলোতে শুনা যায় এই ঢোল-পেঁপা-গগনাৰ লগতে সুৰদীসুৰীয়া বিহুৰ গীতবোৰ। মুঠতে এই সময়ত অসমৰ ঠায়ে ঠায়ে বিহুক আদৰণি জনোৱাৰ প্ৰস্তুতি আৰম্ভ হয়, লগতে আৰম্ভ হয় বিভিন্ন বিহুৰ কৰ্মশালাবোৰৰো। এই কৰ্মশালাবোৰে নতুন প্ৰজন্মক বিহুৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে ইয়াক শুদ্ধ ৰূপত পৰিৱেশন কৰোৱাত বিশেষভাৱে সহায় কৰে বুলি ক'ব পাৰি।

কিন্তু এইবাৰৰ ৰঙালী বিহু অলপ ভিন্ন ধৰণৰ হোৱাৰ সম্ভাৱনা আছে। তাৰ প্ৰধান কাৰণ তিনিটা

বুলি ক'ব পাৰি।


প্ৰথম কাৰণটোৱেই হ'ল- এইবাৰৰ বিহু হ'ব "জুবিনবিহীন প্ৰথম বিহু।" অসমৰ মৰমৰ শিল্পী তথা বিহু ফাংছনবোৰৰ মুখ্য আৰ্কষণ, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গক এইবাৰৰ বিহুৰ মঞ্চত দেখা পোৱা নাযাব। ২০২৫ বৰ্ষৰ চেপ্তেম্বৰ মাহত ছিংগাপুৰত মৃত্যুক সাৱটি লোৱা জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য তথা ন্যায়ৰ বাবে অসমীয়া জাতিয়ে যুঁজ দি আছে। গতিকে বিহু সমিটিবোৰে কেনেদৰে জুবিনদাক সুঁৱৰি বিহু সন্মিলনবোৰ আয়োজন কৰে, সেয়া সময়েহে ক'ব। আমি জানো, বিহুৰ মঞ্চত জুবিনদাৰ স্থান পুৰণ কৰা অসম্ভৱ, কিন্তু তেওঁৰ আদৰ্শক, তেওঁৰ গীত আৰু কৰ্মৰাজিক আগুৱাই লৈ যোৱা তথা সংৰক্ষণ কৰাৰ দায়িত্ব আমাৰ সকলোৰে।

সেইদৰে দ্বিতীয় কাৰণটো হ'ল বিহুৰ সময়ত হ'বলগা অসম বিধান সভাৰ নিৰ্বাচন। অসম বিধান সভাৰ নিৰ্বাচন আৰু নিৰ্বাচনী প্ৰচাৰসমূহে ৰঙালী বিহুৰ ওপৰত প্ৰভাৱ পেলোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। কিন্তু ৰাজনীতিৰ, বিশেষকৈ নিৰ্বাচনী প্ৰচাৰৰ বিৰূপ প্ৰভাৱ যাতে আমাৰ বাপতিসাহোন ৰঙালী বিহুটোৰ ওপৰত নপৰে, আৰু ৰঙালী বিহুটোক যাতে কোনো বিতৰ্কৰ মাজলৈ আনি কোনো নেতাই ৰাজনীতি নকৰে, তাৰ বাবে অসমীয়া জাতি সতৰ্ক হোৱা উচিত বুলি ভাবোঁ।

এইবাৰৰ ৰঙালী বিহুত প্ৰভাৱ পেলাবপৰা প্ৰথম দুয়োটা কাৰণেই অসম তথা অসমীয়াৰ লগত সংলগ্ন। কিন্তু এই বিহুটোক প্ৰভাৱিত কৰিবপৰা তৃতীয় কাৰণটো একান্তই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ লগত সম্পৰ্কিত। আমি সকলোৱে গম পাই আছোঁ যে মধ্য প্ৰাচ্যত ইৰানৰ বিৰুদ্ধে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ মাজত প্ৰচন্দ যুদ্ধ আৰম্ভ হৈছে, যাৰ পৰিণামত ইৰানৰ শীৰ্ষ নেতা আয়াতুল্লাহ আলি খামানেৰ লগতে বহুতো নেতাৰ ইতিমধ্যে মৃত্যু হৈছে। তাৰ পৰিপ্ৰেক্ষিতত ইৰানে ইজৰাইলৰ লগতে চুবুৰীয়া মধ্য - প্ৰাচ্যৰ দেশসমূহত ড্ৰোনৰ সহায়ত আক্ৰমণ আৰম্ভ কৰিছে। এই মধ্য-প্ৰাচ্যৰ দেশসমূহৰ পৰাই ভাৰতৰ লগতে প্ৰায়সংখ্যক দেশে খাৰুৱা-তেল তথা প্ৰাকৃতিক গেছ ৰপ্তানি কৰে। কিন্তু যুদ্ধ চলি থকাত ৰপ্তানি ক্ষেত্ৰখনত বিৰূপ প্ৰভাৱ পৰিছে। তাৰলগতে হাৰমুজ নামৰ ঠেক সাগৰীয় (Strait of Hormuz) অংশটোত ইৰানৰ আধিপত্যই খাৰুৱা-তেল তথা প্ৰাকৃতিক গেছৰ লগতে অন্য সামগ্ৰী আহ-যাহত বাধাৰ সৃষ্টি কৰিছে। গতিকে ভাৰতৰ বিভিন্ন ঠাইৰ লগতে অসমতো ৰন্ধনগেছৰ চিলিণ্ডাৰ (LPG) ৰ নাটনিৰ সৃষ্টি হৈছে। লগতে বয়-বস্তুৰ দামো বাঢ়িবলৈ ধৰিছে। এই সকলোবোৰে ৰঙালী বিহুৰ ওপৰত প্ৰভাৱ পেলোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

কিন্তু তথাপিও আমি অসমীয়াই কঁকালত টঙালি বান্ধি আমাৰ অসমীয়াৰ আৱেগ আৰু স্বাভিমান জড়িত এই বসন্তকালৰ ৰঙালী বিহুটিক আদৰিবলৈ সাজু হৈ আছোঁ।





## উপদেষ্টাৰ একলম।

# ইতিহাসৰ প্ৰলয় আৰু অসমৰ আত্মসত্তা

✍ **সত্যেন্দ্ৰ বৰদলৈ,** বিহপুৰীয়া, লখিমপুৰ

*(এই লেখাটো ঘৃণা, বৈষম্য বা কোনো ধৰ্ম, জাতি, ভাষা অথবা জনগোষ্ঠীক লক্ষ্য কৰি বা অভিযোগ উত্থাপন কৰাৰ উদ্দেশ্যে লিখা হোৱা নাই; ইতিহাস, সমাজ আৰু জনসংখ্যাগত পৰিৱৰ্তনৰ অভিজ্ঞতাৰ আধাৰত অসমীয়াৰ ভাষা-সমাজ-সংস্কৃতিৰ আত্মসত্তা ৰক্ষাৰ প্ৰসংগটো বিশ্লেষণ কৰাই ইয়াৰ মূল উদ্দেশ্য। লেখাটোৰ মন্তব্যসমূহ ব্যক্তিগত বিদ্বেষৰ প্ৰসংগত নহয়; ই চিন্তা, বিতৰ্ক আৰু আত্মসমালোচনাৰ বাবেহে লিখা হৈছে। পাঠকে ইয়াক সেই দৃষ্টিৰে গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।)*



পৃথিৱীৰ বুৰঞ্জী কেৱল যুদ্ধজয়ৰ কাহিনী নহয়; ই মূলতঃ দেশ, ভাষা, সমাজ আৰু সংস্কৃতিৰ উত্থান আৰু পতনৰো সুদীৰ্ঘ দলিলস্বৰূপ। বিভিন্ন সময়ত পৃথিৱীৰ যিবোৰ সমাজ বা জাতিয়ে নিজৰ সময়ৰ সংকেত বুজি নাপালে, অথবা বাহ্যিক আৰু অভ্যন্তৰীণ বিপদক যথা সময়ত গুৰুত্ব নিদিলে, সেই সমাজ বা জাতি কেতিয়াবা তাৎক্ষণিকভাৱে বা কেতিয়াবা ধীৰে ধীৰে ইতিহাসৰ পৃষ্ঠাৰ পৰা হেৰাই গ'ল। আজিৰ অসমৰ প্ৰসংগত এই বুৰঞ্জীস্মৃতি কেৱল পঢ়িবলগীয়া পাঠ নহয়; ই এক বৌদ্ধিক সতৰ্কবাণী। অসমৰ ভূগোল, জনসংখ্যাগত গঠন, ভাষাগত সংবেদনশীলতা আৰু ঐতিহাসিক অভিজ্ঞতাই এইটো দাবী কৰে যে অতীতৰ উদাহৰণৰপৰা শিক্ষা নল'লে ভৱিষ্যৎ অধিক জটিল আৰু অনিশ্চিত হৈ উঠিব পাৰে। অসমৰ ভূগোল, জনসংখ্যাগত গঠন, ভাষাগত সংবেদনশীলতা আৰু ঐতিহাসিক অভিজ্ঞতাই এইটো দাবী কৰে যে আমি অতীতৰ উদাহৰণৰপৰা শিক্ষা নল'লে ভৱিষ্যৎ অনিশ্চিত হৈ পৰিব পাৰে।

বিশ্বইতিহাসৰ পৃষ্ঠা লুটিয়াই চালে দেখা পাম- মেছোপটেমিয়া, বেবিলন, এছিৰিয়া আদি সভ্যতাসমূহ এসময়ত মানৱ সভ্যতাৰ বাবে আছিল শুকতৰা স্বৰূপ। নগৰ-সভ্যতা, বিজ্ঞান, সাহিত্য, আইন,-সকলো ক্ষেত্ৰতে তেওঁলোকৰ অৱদান বিশ্ববাসীয়ে গৌৰৱেৰে স্বীকাৰ কৰি আহিছে। কিন্তু বাহিৰা শত্ৰুৰ আক্ৰমণ, অভ্যন্তৰীণ বিভাজন আৰু ক্ষমতাৰ লোভে সেই সভ্যতাবোৰ ধ্বংস কৰি পেলালে। আজি তেওঁলোকৰ ভাষা প্ৰায় বিলুপ্ত আৰু সংস্কৃতি ধ্বংসাৱশেষত সীমাবদ্ধ। এই উদাহৰণবোৰে আমাক এটা কথাই শিকায় যে শক্তিশালী হ'লেও কোনো সমাজে অমৰত্ব লাভ কৰিব নোৱাৰে। অসমৰ ক্ষেত্ৰতো যদি আমি ভাবোঁ যে এনেকুৱা কেতিয়াও হ'ব নোৱাৰে, তেন্তে সেই আত্মবিশ্বাসেই বিপদৰ বীজ হৈ পৰিব পাৰে।

লেটিন ভাষা এসময়ত ইউৰোপৰ শাসন, শিক্ষা আৰু সংস্কৃতিৰ প্ৰধান মাধ্যম আছিল। কিন্তু দৈনন্দিন জীৱনৰ পৰা লাহে লাহে আঁতৰি যোৱাৰ ফলত ই আজি হৈ পৰিল মৃত ভাষা। যদিও লেটিন ভাষাৰপৰা ফ্ৰেঞ্চ, স্পেনিছ, ইটালিয়ান আদি ভাষাসমূহৰ জন্ম হ'ল, মূল ভাষাটো কিন্তু জীয়াই নাথাকিল। অসমৰ ক্ষেত্ৰত অসমীয়া ভাষা কেৱল যোগাযোগৰ মাধ্যমেই নহয়; ই ইতিহাস, সোঁৱৰণি আৰু অস্তিত্বৰো আধাৰ স্বৰূপ। যদি অসমীয়া ভাষাই অসমৰ শিক্ষা, প্ৰশাসন আৰু দৈনন্দিন ব্যৱহাৰৰ পৰা পশ্চাৎগমন কৰিবলগীয়া হয়, তেনেহ'লে ভাষাৰ মৃত্যুৰ পথত অসমো অজানিতে আগবাঢ়িব পাৰে।

মায়া সভ্যতাই এসময়ত জ্যোতিষ, গণিত আৰু স্থাপত্যবিদ্যাত সমগ্ৰ বিশ্বতে বিস্ময়কৰভাৱে অগ্ৰগতি লাভ কৰিছিল। কিন্তু স্পেনিছ উপনিৱেশবাদে সেই সভ্যতাৰ সাংস্কৃতিক বুনিয়াদ ধ্বংস কৰি পেলালে। ধৰ্মীয় বলপ্ৰয়োগে বহু পৰম্পৰা নিঃশেষ কৰি পেলালে। অসমৰ সংস্কৃতি- যেনে নৃত্য, গীত, উৎসৱ-অনুষ্ঠান, লোককথা ইত্যাদি- এইবোৰ কেৱল বিনোদনৰে আহিলা নহয়; এইসমূহে এখন সমাজক সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি ৰাখে। যেতিয়া সংস্কৃতি দুৰ্বল হয়, সমাজো দুৰ্বল হৈ পৰে। অসমীয়াৰ ক্ষেত্ৰত সাংস্কৃতিক আত্মবিশ্বাস হ্ৰাস পালে বাহ্যিক প্ৰভাৱে সহজে আধিপত্য বিস্তাৰ কৰিব পাৰে।

অনেক সমালোচকে ৰোমান সাম্ৰাজ্যৰ পতন বাহ্যিক আক্ৰমণৰ ফলতে হোৱা বুলি কৈ আহিছিল। কিন্তু আধুনিক ইতিহাসবিদসকলে দেখুৱাইছে যে প্ৰকৃতাৰ্থত ৰোমান সাম্ৰাজ্যখন সামাজিক বৈষম্য, নৈতিক অৱক্ষয় আৰু শাসকসকলৰ ক্ষমতাৰ লোভৰ বাবেহে ভিতৰৰ পৰাই ধ্বংসৰ গৰাহত পেলাইছিল। অসমৰ সমাজখনো যদি জাতি, ধৰ্ম, ভাষা বা অঞ্চলভিত্তিক দ্বন্দ্বত জৰ্জৰিত হৈ আভ্যন্তৰীণ বিভাজনৰ দিশে আগবাঢ়ে, তেন্তে বাহ্যিক বিপদ অহাৰ আগতেই ভিতৰৰ এই অপশক্তিবোৰেই জাতিটোক ধ্বংসস্তূপত পৰিণত কৰাটো একেবাৰে স্বাভাৱিক।

কলম্বাছে আমেৰিকা আৱিষ্কাৰ কৰাৰ আগতেই সেই বিস্তৃত ভূমিত মায়া, আজটেক, ইনকা আদি বহুতো প্ৰাচীন জাতিয়ে সমৃদ্ধিশালী সভ্যতা গঢ়ি তুলিছিল। তেওঁলোকৰ নগৰ-ব্যৱস্থা, কৃষি-পদ্ধতি, জ্যোতিষৰ জ্ঞান আৰু শিল্পকলাই প্ৰমাণ কৰে যে সেই সমাজখনে প্ৰকৃতিৰ সৈতে সহাৱস্থান ৰক্ষা কৰি গভীৰ বৌদ্ধিক আৰু সাংস্কৃতিক পৰিপক্কতাৰ পৰিচয় দিব পাৰিছিল। ভাষা, বিশ্বাস আৰু সামূহিক জীৱনবোধে গঢ় দিয়া সেই সমাজখনত মানুহ আছিল মাটিৰ লগত গভীৰভাৱে সংযুক্ত আৰু সংস্কৃতি আছিল দৈনন্দিন জীৱনৰ স্বাভাৱিক প্ৰকাশ। এই সকলোবোৰে দেখুৱায় যে ইউৰোপীয়সকলৰ আগমনৰ পূৰ্বে আমেৰিকা এখন শূন্য ঠাই নাছিল, য'ত ইউৰোপীয়সকল আহি হে সভ্যতা গঢ়ি তুলিলেহি, বৰঞ্চ কলম্বাছপূৰ্ব আমেৰিকা এটা জীৱন্ত, বহুবৰ্ণময় সভ্যতাৰ প্ৰাণকেন্দ্ৰ আছিল। অষ্ট্ৰেলিয়াৰ ক্ষেত্ৰতো একেই কথা। ইউৰোপীয়সৱলৰ আগ্ৰাসনত মূল অধিবাসীসকল নিজৰ মাটিতে সংখ্যালঘু হৈ পৰিল। অতীতৰ ভাষা, ধৰ্ম, সংস্কৃতি, সকলো ধ্বংস হ'ল বা সীমিত পৰিসৰত বন্দী হ'বলগা হ'ল। এই ইতিহাস জনসংখ্যাগত আগ্ৰাসন আৰু সাংস্কৃতিক দমনৰ জ্বলন্ত উদাহৰণ। অসম সীমামূৰীয়া ৰাজ্য হোৱাৰ বাবে

এই অভিজ্ঞতা বিশেষভাৱে গুৰুত্বপূৰ্ণ। জনসংখ্যাগত পৰিৱৰ্তন কেৱল সংখ্যাৰ হিচাপ নহয়; ই ভাষা, সংস্কৃতি আৰু ৰাজনৈতিক শক্তিৰ সমীকৰণ সলনি কৰি পেলায়।

প্ৰাচীন কামৰূপৰপৰা আজিৰ আধুনিক সময়লৈকে অসমৰ ইতিহাস বহুটো পৰিৱৰ্তনৰ জীৱন্ত সাক্ষী হৈ আছে। আহোম ৰাজত্ব আৰু প্ৰশাসনে অসমৰ ভাষা আৰু সংস্কৃতিক এক নতুন ৰূপ দিলে, ব্ৰিটিছে আধুনিক প্ৰশাসন ব্যৱস্থা আনি দিয়াৰ সমান্তৰালভাৱে অসমৰ বহুতো সামাজিক বিন্যাস ভাঙি পেলালে। ১৯৪৭ আৰু ১৯৭১ চনৰ ঘটনাৱলীয়ে অসমৰ জনসংখ্যাগত চিত্ৰত গভীৰ প্ৰভাৱ পেলালে। এই ঐতিহাসিক অভিজ্ঞতাই দেখুৱায় যে অসম সদায় বাহ্যিক শক্তিৰ সংস্পৰ্শত আছিল আৰু ভৱিষ্যতেও থাকিব। সেয়ে আত্মসচেতনতা ইয়াৰ বাবে জীৱন-মৰণৰ প্ৰশ্ন।

জনসংখ্যাৰ পৰিৱৰ্তনে ৰাজনৈতিক শক্তিৰ সমীকৰণ সলনি কৰে। যেতিয়া ভাষাগত বা সাংস্কৃতিক গোট এটা নিজৰ পৰিসৰত সংখ্যালঘু হৈ পৰে, তেতিয়া নীতি নিৰ্ধাৰণতো তাৰ প্ৰভাৱ হ্ৰাস পায়। অসমৰ ক্ষেত্ৰত এই ভয় কল্পনাপ্ৰসূত নহয়; ই বাস্তৱ অভিজ্ঞতাৰ ওপৰত আধাৰিত। ইয়াৰ সমাধান আইনগত, নৈতিক আৰু গণতান্ত্ৰিক ব্যৱস্থাৰ মাজেৰেহে হোৱাটো সম্ভৱ।

ইতিহাসত দেখা পাওঁ যে যিবোৰ জাতি বা সমাজে শিক্ষাক অৱহেলা কৰে, তেওঁলোকেই প্ৰথমে পতিত হয়। শিক্ষা কেৱল ডিগ্ৰী নহয়; শিক্ষাই সমালোচনামূলক চিন্তা, সহনশীলতা আৰু আত্মবিশ্বাসৰ সৃষ্টি কৰে। অসমীয়া ভাষাত সকলো স্তৰত আৰু বিভাগত গুণগত শিক্ষা প্ৰদান কৰা, সাহিত্য-চৰ্চাৰ সমান্তৰালভাৱে বিজ্ঞান আৰু প্ৰযুক্তিৰ সৈতেও ভাষাক জড়িত কৰা-এইবোৰ জাতিটোৰ আত্মৰক্ষাৰ ক্ষেত্ৰত একোটা সুদূৰপ্ৰসাৰী পথ হ'ব পাৰে।

ইতিহাসৰ পৰা ভয়ৰ জন্ম হ'ব পাৰে, কিন্তু ভয়েই নীতি হ'ব নোৱাৰে। ঘৃণাই সমাজক ৰক্ষা নকৰে; ই সমাজক ধ্বংসৰ বাটেৰে অধিক ক্ষিপ্ৰতৰ গতিৰেহে আগুৱাই নিয়ে। ইতিহাসত বহু জাতি আৰু সমাজ পাৰস্পৰিক শত্ৰুভাৱাত্মক আচৰণৰ বাবে নিজেই নিজৰ ধ্বংস মাতি অনাৰ উদাহৰণ ওপৰত উল্লেখ কৰা হৈছে। আমাৰ ক্ষেত্ৰত আত্মৰক্ষাৰ অৰ্থ হ'ব লাগে- ন্যায় আৰু মানৱীয় মূল্যবোধসমূহ অক্ষুণ্ণ ৰাখিও নিজৰ অধিকাৰ দৃঢ়ভাৱে ৰক্ষা কৰা। পৃথিৱীৰ বুৰঞ্জীসমূহ আমাৰবাবে সন্মুখৰ একোখন দাপোণ স্বৰূপ। সেই দাপোণত আমি আমাৰ সম্ভাব্য ভৱিষ্যতটো প্ৰতক্ষ্য কৰিব পাৰোঁ-যদিহে আমি চাবলৈ সাহস কৰোঁ। দেশ, ভাষা, সমাজ আৰু সংস্কৃতি নিজে নিজে বৰ্তি বা টিকি নাথাকে; ইবোৰক সুচিন্তিত নীতি, জ্ঞান, সম্প্ৰীতি আৰু সচেতন আদৰ্শৰেহে বচাই ৰখাটো সম্ভৱ। অসমৰ ক্ষেত্ৰত এইটো কেৱল এটা বিকল্প নহয়-ই নিশ্চিতভাৱে এটা ঐতিহাসিক প্ৰয়োজন। ইতিহাসে যেতিয়া সতৰ্কবাণী শুনায়, তেতিয়া তাক শুনাটো আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাটোহে জ্ঞানী তথা সচেতন নাগৰিকৰ প্ৰথম লক্ষণ।

ই-মেইল: bordoloi.satyendra@gmail.com

।। প্ৰবন্ধ।।



# সময়ৰ সোঁতত গছতলৰ বিহু

**✍ ৰশ্মি ৰেখা দুৱৰা,** ডিব্ৰুগড়

‘চ’তে গৈয়ে গৈয়ে ব’হাগে পালেহি
ফুলিলে ভেবেলী লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
আমাৰে বিহুটিৰ কথা।’

ফাগুনৰ লঠঙা গছবোৰৰ অৱসান ঘটাই ব’হাগত ন-কুঁহিপাতে ভৰপূৰ কৰি তোলে। প্ৰতিটো ঋতুতে প্ৰাকৃতিক পৰিৱৰ্তন হোৱাৰ দৰে বসন্ত ঋতুতো অনেক পৰিৱৰ্তনে দেখা দিয়ে। ব’হাগ বুলি ক’লেই সকলো অসমীয়াৰ মন প্ৰাণ ৰং ৰহইছৰে ভৰপূৰ হৈ উঠে। তগৰ, নাহৰ কপৌ আদি ফুলবোৰে চৌদিশ মুখৰিত কৰি তোলে। চ’তৰ দোমাহী অৰ্থাৎ গৰু বিহুৰ দিনা পুৱাতে গৰুক মাহ-হালধিৰে গা ধুৱাই চাটত সিয়া লাও, বেঙেনা, থেকেৰা আদি গাৰৈ দলিয়াই মাখিয়তীৰে কোবাই গোৱা হয় —

লাও খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাৰে সৰু বাপেৰে সৰু
তই হ’বি বৰ বৰ গৰু

গৰুক গা-ধুৱাই আহি ওচৰ চুবুৰীয়া সৰু-ডাঙৰ সকলোৰে লগলাগি কণীযুঁজ খেলে। সেইদিনটোতেই ১০১বিধ শাকেৰে ব্যঞ্জন ৰান্ধি পৰিৱেশন কৰাৰো পৰম্পৰা আছে। যদি ১০১বিধ শাক পোৱা নাযায়, আমৰলি টোপ খালেও হয়। গধূলিলৈ গৰুক তৰা পঘাৰে বান্ধি পিঠা খুওৱা হয়। ম’হ-ডাহবোৰ কমিবৰ বাবে

সন্ধিয়া সময়ত তুঁহ গুড়ি, মাখিয়তী, দীঘলতি আদিৰে জাগ দিয়া হয়।

গৰু বিহুৰ পাছদিনা অৰ্থাৎ পহিলা ব'হাগৰ দিনা পুৱাতে গাঁৱৰ নামঘৰত চাকি জ্বলোৱা হয়, বছৰটোৰ মংগল কামনা কৰি। সেইদিনটোতেই হুঁচৰিৰ আৰম্ভণি কৰে। সৰুৰপৰা বুঢ়ালৈকে সকলোৱে মিলি গাঁৱৰ ঘৰে ঘৰে হুঁচৰি জোৰে। আবেলিলৈ গাভৰুসকলে গছৰ তলত বিহু নাচিবলৈ যায়। আজাৰ, আম, আঁহত এনেধৰণৰ গছৰ তলতহে বিহু গোৱা হয়। সকলো গাভৰুৱে মেখেলা-চাদৰ পিন্ধাটো বাঞ্ছনীয়। পোনপ্ৰথমে কলপাতত তামোল-পাণৰ টোপোলা আগবঢ়াই গছজোপাত ফুলাম গামোচা এখন পিন্ধাই সকলো গাভৰুৱে সেৱা কৰে। তাৰপাছতে এটি যোজনাৰে বিহুৰ আৰম্ভণি কৰে-

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ গছতলৰ বিহুটি
নানাচি কেনৈকৈ থাকোঁ।

সকলো গাভৰুৱে উকিয়াই বিহুনাম গায় আৰু নাচে। বিহু বুলি ক'লে কোনো গাভৰুৱে ঘৰৰ ভিতৰত সোমাই থাকিব নোৱাৰে। কোনোজনীয়ে গছতলৰ বিহুত চেনাইধনক লগপোৱাৰো কথা থাকে। সেয়েহে ঘৰত বাধা দিলেও বিহু মাৰিবলৈ ঢাপলি মেলে। গছতলৰ বিহুত গোৱা গীতবোৰ এনেধৰণৰ-

*১/ চেনাই আলিয়ে গৈছিলে*
*চেনাই ধুনীয়া টেক্সিখন*
*চেনাই বাটতে এক্সিডেণ্ট হ'ল,*
*চেনাই তাতে মোৰ আছিলে*
*চেনাই অতীতৰ*
*ভালপোৱা*
*চেনাই বাটতে মৰহি গ'ল।*

*২/ গছ বুঢ়া হ'ব হায় হায়*
*হায় মোৰ নিজৰা*
*পাতেনো বুঢ়া হ'ব*
*আমিনো খৰি পুৰি খাম,*
*ধুনীয়া ল'ৰাবোৰ হায় হায়*
*হায় মোৰ নিজৰা*
*ঘৰতে বুঢ়া হ'ব*
*ঘৰতে বুঢ়া হ'ব*
*আমিনো হাঁহিবলৈ পাম।*

*৩/ আইচ্-আইচে বুলি অ' মইনা*
*হাঁহকে মই মাতিলোঁ*
*হাঁহকে মই মাতিলোঁ*
*হাততে ঐ পতান ধান লৈ,*
*হাঁহ মতা চলেৰে এ মইনা*
*তোমাকে মই চাইছিলোঁ*
*তোমাকে মই চাইছিলোঁ*
*হাততে ঐ চিঠিখন লৈ।*

*৪/* জামিৰা পথাৰত মোৰ ধন চেনাই ঐ
বাগাননো হোৱা হ'লে
বাগাননো হোৱা হ'লে
ছিঙিনো চালোঁহেঁতেন পাত,
তোমাৰে ঘৰেটি মোৰ ধন চেনাই ঐ
ওচৰত হোৱা হ'লে
ওচৰত হোৱা হ'লে
সদায়েনো লগালোঁ হ'লে মাত।

*৫/ আহিবনে বাৰিষা বৰনদীৰ বুকুলৈ*
*এই বাৰিষা পাল তৰা নাই তৰিলৈ*
*চেনাইধন ঐ*

*যামেগৈ কোনোবা অচিন দেশলৈ।*
*মোৰেনো ঐ অন্তৰে*
*তোমাকে ঐ বিচাৰে*
*চেনাইধন ঐ*
*কবিয়ে বিচাৰে ভাষা চেনাই ঐ।*
*৬/ চিল চিল চিলা উৰে আকাশত*
*ৰঞ্জিত পঢ়ে কলেজত*
*চি আৰ পিয়ে গুলি মাৰে*
*ৰঞ্জিতৰ কপালত।*

গছতলৰ বিহুত যিবোৰ গীত গোৱা হয় সেই গীতবোৰ কেছেটত শুনিবলৈ পোৱা নাযায়। গীতবোৰত মোৰ জান, চেনাই ধন ব্যৱহাৰ কৰিহে গোৱা হয়। গছতলৰ বিহুত যদি গাভৰুহঁতে এপাক নানাচে বছৰটোলৈ মূৰ ঘূৰণি হয় বুলিও বিশ্বাস কৰা হয়। সেয়ে সকলো গাভৰুৱে এপাক নাচেগৈ। কোনোবা গাভৰু যদি বিহুলৈ যাবলৈ ইচ্ছা প্ৰকাশ নকৰে, লগৰবোৰে জবৰদস্তি বিহুলৈ টানি লৈ যায়। গছতলৰ বিহু চাবলৈ ৰাস্তাত বিৰ দি বাট নোপোৱা অৱস্থা হয়। পথাৰলৈ যোৱা ৰাস্তাৰ কাষে কাষে কণ-কণ মইনাহঁতৰ বুট ভজা দোকান। কিযে মনোমোহা দৃশ্য। এই দশ্যবোৰ সৰু থাকোঁতে কেইবছৰমানহে দেখিবলৈ পালোঁ। দিনকদিনে গছতলৰ বিহু কমি আহিব ধৰিল। এই বিহু ১১/১৩/১৫ দিনত উৰুওৱা হয়। যিদিনা বিহু উৰুৱা হয় ডেকাসকলে ঢোল, পেঁপা বজাই বিহু গাই নাচনীক নচুৱায়। এটি যোজনাৰে বিহু সামৰণি মাৰে-

*মিচিচিপি নদীখন অতি দীঘলীয়া*
*তাতো দীঘলীয়া সুঁতি*
*আমাৰ বিহুখনি নহয় দীঘলীয়া*
*সামৰণি মাৰিছোঁ ইতি।*



সামৰি ডেকা-গাভৰুৱে গছজোপাত সেৰা লয়। গছত পিন্ধাই লোৱা গামোচাখন লৈ আহে আৰু বিহুত ব্যৱহাৰ কৰা টকা এটা বিহুতলীতে ভাঙি সকলো স্ফূৰ্তিৰে ঘৰমুৱা হয়। গছতলৰ বিহুতে হওক বা হুঁচৰিত গোৱা বিহুবোৰেই হওক সকলো গীতেই অৰ্থপূৰ্ণ। কৃষিজীৱী লোকসকলে দৈনন্দিন জীৱনত বহুত কষ্টৰ মাজেদি ভুঁই ৰোৱা, ধান দোৱা, হাল-কোৰ মৰা, জাকৈ মৰা, খৰি লুৱা আদি কামবোৰ সমজুৱাকৈ কৰে। দুখ-কষ্টৰ মাজতে হাঁহি স্ফূৰ্তিৰে কিছু গীতৰ কলি গুণগুণায়। সেই গীতবোৰত দুখ-বেদনা, প্ৰকৃতি, প্ৰেম-প্ৰীতি, দুৰ্দশাৰ ছবি প্ৰতিফলিত হয়। তেতিয়াৰ লোকসকলে বিহুগীতৰ সৌন্দৰ্য কি বুজা নাছিল, অনাখৰী আছিল। তথাপিও কৰ্মৰ মাজতে বৰ সুন্দৰ গীতৰ সৃষ্টি হৈছিল।

সময়ৰ আহ্বানত গছতলৰ বিহুৰ প্ৰাসংগিকতা কমি আহিছে যদিও কিছুঠাইত এতিয়াও কম পৰিমাণে হ'লেও এই বিহুৰ প্ৰচলন আছে। ককা-আইতাসকলক সুধিলে হয়তো জানিব পাৰিম, এই বিহুত ডেকা-গাভৰুৱে কিমান স্ফূৰ্তি কৰিছিল! মঞ্চ বিহুৰ প্ৰচলনৰ ফলত এই বিহুবোৰৰ আনন্দ-স্ফূৰ্তিবোৰ কমিব ধৰিলে। এই বিহুৰ লগত বিশেষকৈ ডেকা-গাভৰু সকল ওতপ্ৰোতভাৱে জড়িত। ❑

# বিহু আৰু লোকবাদ্য

✍ **বিশ্বজিৎ ডি. চেতিয়া,** বৰটিং নাওশলীয়া, গোলাঘাট

অসম আৰু অসমীয়া জাতিৰ আয়ুস ৰেখা, গণজীৱনৰ সাহ হেঁপাহৰ ৰঙালী বিহুটি। বসন্তৰ বা-লগা ৰঙালী বিহুটি অহাৰ জাননী দিয়ে পাতৰ আঁৰৰ কুলিটিয়ে, বিৰিখৰ কোমল কুঁহিপাত আৰু সুগন্ধি কুসুমে। কোমল কুঁহিপাতৰ জিৰজিৰ মাত আৰু কুলিৰ মৌমিঠা মাতত ৰঙালীৰ ৰঙত সোণত সুৱগা চৰায় বিহুবাদ্যসমূহে। ক্ৰমশঃ জী উঠে বিহুবাদ্যৰ তালে তালে জাত জাত বিহুনাম আৰু লাহী কঁকালবোৰ। বিহুনামৰ কথা আৰু অপূৰ্ব সুৰৰ ছন্দ, বিহুবাদ্যৰ দেহা ৰাইজাই কৰা শবদে অসমৰ আকাশ-বতাহ মুখৰিত কৰে। ঢোল-পেঁপাৰ মাত শুনি গাভৰুৰ একে ঠাইতে ৰ'ব নোৱৰা অৱস্থা হয়, গচকত ভাঙি যায় যঁতৰ।



কেইবাপদ বাদ্যই যুগ যুগ ধৰি ৰঙালী বিহুটিৰ উছাহ দুগুণ কৰি আহিছে। সেই বাদ্যকেইপদ হৈছে — ঢোল, পেঁপা, গগনা, সুতুলি, টকা, তাল আৰু বাঁহী। ভৰতমুনিয়ে তেওঁৰ নাট্যশাস্ত্ৰত বাদ্যক চাৰিটা ভাগত ভাগ কৰিছে — তত (তাঁৰৰ বাদ্য), আনদ্ধ (জন্তুৰ ছালেৰে চোওৰা বাদ্য), সুষিৰ (ফুঁ দি বজোৱা বাদ্য) আৰু ঘন(ধাতুৰে নিৰ্মিত বাদ্য)। ৰঙালী বিহুত বজোৱা বাদ্যসমূহো এই ভাগসমূহৰ অন্তৰ্গত।

**ঢোল ঃ** বিহুত বজোৱা লোকবাদ্যসমূহৰ অন্যতম বাদ্য হ'ল ঢোল। খোলাটো আম, কঁঠাল বা চাম কাঠেৰে সজা ঢোল এবিধ আনদ্ধ বাদ্য। ঢোলৰ খোলাটোৰ ভিতৰখন ফোঁপোলা। অতীতত খোলাটো সুন্দৰ দেখাবৰ বাবে শিল্পীসকলে হেঙুল-হাইতাল বুলাইছিল। ঢোলৰ অংগকেইটা হ'ল- খোলা, তালি, মলুৱা, কোবা, ফৰিঙা, কনাই, বৰটি আৰু ঢোল মাৰি। ঢোলৰ দুয়োটা মূৰ গৰুৰ ছাল বা চামৰাৰে চোৱা হয়। এখন ছালত হাতেৰে আৰু আনখন ছালত মাৰিৰে



কোবাই ঢোল বজোৱা হয়। হাতেৰে বজোৱা ফালখনক তালি আৰু মাৰিৰে বজোৱা ফালখনক কোবনি বোলে। সেয়ে 'মৰা গৰুৰ ছালেও বেবায়' বুলি কোৱা হয়। কোবনিতকৈ তালিৰ ফালৰ খোলাটো অলপ বহল। কোবনি আৰু তালিক মলুৱাৰে বান্ধি ৰখা হয়। এই দুইফালৰ মলুৱাক চামৰাৰ ৰছী অৰ্থাৎ মেখেলাৰে গোঠা হয়। বৰটিৰে দুয়োটা মূৰক লগলগোৱা হয়। ঢোলৰ দুয়োটা মূৰত দুটা মূৰত চামৰাৰে দুটা কনাই গুঠি তাৰ মাজেৰে ৰছী সুমুৱাই বান্ধি দিয়াৰ পাছতে ঢোল বজোৱাৰ উপযোগী হৈ উঠে। ঢোলৰ গঠন প্ৰণালী সম্পৰ্কে যোজনাত পোৱা যায়-

*মাখিৰ মূৰে কাটি ঢোলটি সাজিলোঁ*
*পিপৰাৰ ছালেৰে চালোঁ,*
*জেলুকৰ ছালেৰে বৰটি বনালোঁ*
*ফৰিঙৰ ঠেঙেৰে বালোঁ।*

চ'ত মাহত ঢোলৰ চাপৰ শুনিলেই মন থৌকি-বাথৌ হয়। ঢোল নহ'লে ৰঙালী বিহু আধৰুৱা। ঢোল বাদ্য কৈলাসপতি শিৱই সৃষ্টি কৰা বুলি ওজাসকলৰ মালিতাত পোৱা যায়-

*আদি সত্য যুগে*
*বাদ্য ভৈলা উতপণ*
*কৈলাসৰ মহাদেৱে*
*ঢোলৰ জনম।*



**পেঁপা ঃ** ম'হৰ শিঙেৰে তৈয়াৰী পেঁপা সুষিৰ বাদ্য। পেঁপাৰ অংগ চাৰিটা- থুলা, থুৰি, গপ আৰু চুপহি। পেঁপাৰ শিংটো অৰ্থাৎ থুলাত ফুটা কৰি পাঁচ বা চাৰিটা ফুটা কৰি লোৱা গপ বা নলিচাডাল থুলাৰ এটা মূৰত সুমুৱাই আনটো মূৰত খাগৰি বা বিজুলী বাঁহৰ অকমানি টুকুৰা এটাৰ পৰা প্ৰস্তুত কৰা এফালে গাঁঠি নথকা থুৰিটো সুমুওৱা হয়। থুৰিৰ গাঁঠিটোৰ তলৰ পৰা মিহি পাতল জিভা এখন তৈয়াৰ কৰা হয়। এই জিভাই পেঁপাৰ ধ্বনি আৰু সুচলতাৰ গতি সঠিক কৰে। গপৰ বিন্ধাত আঙুলিৰ বুলনি দি পেঁপাৰ ধ্বনি নিয়ন্ত্ৰণ কৰা হয়। গপৰ থুৰি গুঁজি থোৱা মূৰটোত চুপহি লগোৱা হয়, ফলত পেঁপা বজাবৰ বাবে সুবিধা হয়। ম'হৰ শিঙৰ পেঁপাটিৰ মাতে বিহুৰ মাদকতা দুগুণ কৰি তোলে। বিষাদিত বদনত সুখৰ নিজৰা বোৱাই আনে। পেঁপাৰ সম্মোহিনী সুৰত তাঁতৰ পাততো আউল লাগে -

*পেঁপাৰ মাতে শুনি বিহুৱতী গাভৰু*
*বিহুত মন বলিয়া হ'ল,*
*বিহুৱান টঙালিত বাচিছিল লতাফুল*
*সিয়ো কেনা লাগি গ'ল।*

**গগনা ঃ** বিহুৰ অন্যতম এবিধ লোকবাদ্য হৈছে




গগনা। এটা পূৰঠ বাঁহৰ আগলিৰ ২৫ চেঃমিঃ দীঘল আৰু ১.৫ চেঃমিঃ বহল কামি মিহিকৈ চাঁচি পাতল কৰি তাৰ মাজত এখন মিহি জিভা প্ৰস্তুত কৰা হয়। গগনাখন দুই ওঁঠৰ মাজত লৈ এটা মূৰে আঙুলি বোলাই দিলে গগনাখনৰ মাজত থকা জিভাখনত কম্পনৰ সৃষ্টি হৈ সুমধুৰ মাতৰ সৃষ্টি কৰে। গগনা দুই প্ৰকাৰৰ — ৰামধন

গগনা আৰু লাহৰী গগনা। লাহৰী গগনা বিহুৱতীয়ে আৰু ৰামধন গগনা বিহুৱাই বজায়।

*ধনে সাজি দিয়া লাহৰী গগনা*
*বহি তাঁতৰ পাতত বাওঁ*
*আহে কি নাহে মোৰ ধন চেনাই ঐ*
*চিৰি পাতি মণ্ডলখন চাওঁ।*

গগনাৰ বিষয়ে এটি লোকবিশ্বাস আছে যে কোনো মুখচোকা শিপিনীৰ তাঁতৰ ব-তোলা চুঙা চুৰ কৰি আনি তাৰ পৰা গগনা প্ৰস্তুত কৰিলে সেই গগনাৰ মাত সুমধুৰ হয়। কোৱা হয় যে চুঙা নাপাই শিপিনীগৰাকীয়ে যিমানেই গালি পাৰিব সিমানেই সেই চুঙাটোৰ পৰা প্ৰস্তুত কৰা গগনাৰ মাত ডাঙৰ আৰু স্পষ্ট হয়।



**সুতুলি ঃ** সুতুলি মাটিৰে সজা সুষিৰ বাদ্য। কাঁচিজোন আকৃতিৰ বিহুৰ অন্যতম বাদ্য এই



সুতুলি প্ৰস্তুতৰ বাবে কেঁকোৰা গাঁতৰ মাটি বা আলতীয়া মাটিৰ প্ৰয়োজন হয় আৰু সুতুলিৰ ভিতৰভাগ ফোঁপোলাকৈ ৰখা হয়। সুতুলিৰ তিনিটা ফুটা থাকে। সুতুলি সজাৰ পিছত ৰ'দত শুকুৱাই লোৱা হয়। তাৰপাছত পুনৰ অলপ মিহি কৰি লোৱা হয়। ইয়াৰ মাজৰ ফুটাটোত ফুঁ দি কাষৰ দুটা ফুটাত দুয়োখন হাতৰ তৰ্জনী আঙুলি বোলাই বিহুনামৰ



সুৰত বজোৱা হয়।

**টকা ঃ** *বাঢ়ি গ'ল বাঢ়ি গ'ল ভলুকা গাজটি*
*কাউৰী পৰিলে ভাগে,*
*সৰুটি পিলিঙাই টকা সাজি দিবা*
*বিহু মাৰিবলৈ লাগে।*

মাথোঁ এটুকুৰা বাঁহৰ পৰা প্ৰস্তুত কৰা টকা ঘনবাদ্য। বিহুৰ অপৰিহাৰ্য অংগ টকা দুই প্ৰকাৰৰ- হাত টকা আৰু মাটি টকা। দুইমূৰে গাঁঠি থকা এপাব বাঁহৰ এটা গাঁঠি সমানকৈ মাজে মাজে ফালি আনটো গাঁঠি ৰাখি নফলা গাঁঠিৰ ওচৰৰ আধা অংশ সৰু আৰু মিহি কৰা হয়। সৰু কৰা অংশটোক চতিয়া বোলে। চতিয়া সৰু আৰু মিহি কৰাৰ ফলত টকাটো বজাবলৈ সুবিধা হয়। হাত টকা বাঁওহাতৰ ঠাৰিত লৈ আঙুলিৰে ধৰি সোঁহাতেৰে চতিয়াত ধৰি বজোৱা হয়। মাটি টকা প্ৰয়োজন অনুসৰি দুপাবৰ পৰা তিনি-চাৰিটা পাব থকা বাঁহৰ টুকুৰাৰ পৰা তৈয়াৰ কৰা হয়। হুঁচৰি, গাভৰু বিহুৰ লগতে ৰাতিবিহুত টকাই মুখ্য ভূমিকা গ্ৰহণ কৰে।

**তাল ঃ** ধাতুৰে গঢ়া তাল ঘনবাদ্য। এনে বাদ্য পৰস্পৰে আঘাত কৰি বা ঘৰ্ষণ কৰি শব্দ উৎপন্ন কৰা হয় আৰু ইয়াৰ জৰিয়তে নৃত্য-গীতত তাল ৰাখি যোৱা হয়। দুখন সমান জোখৰ বৃত্তাকাৰ



কাঁহৰ মাজৰ অংশ অবতল কৰি মাজত দুডাল সৰু ৰছী লগোৱা হয়। তাল বজাওঁতে বজাওঁতাই ৰছী দুডাল এটা আঙুলিৰে পকাই হাতৰ তলুৱাত লৈ বজায়। ঢোলৰ লগত তাল নবজালে উকা উকা যেন লাগে। তালযোৰে ঢোলৰ ছেৰক অধিক স্পষ্ট আৰু শ্ৰুতিমধুৰ কৰে। তাল বিহুৰ

লগতে নাম-কীৰ্তন, লোকগীত, বৰগীত আদি গাঁৱতেও ব্যৱহৃত হয়।

**বাঁহী ঃ** অসমীয়া সংস্কৃতিৰ এক জনপ্ৰিয় সুষিৰ বাদ্য হৈছে বাঁহী। বাঁহীক সম্পূৰ্ণৰূপে অসমৰ থলুৱা বাদ্য বুলি ক'ব নোৱাৰি। সমগ্ৰ বিশ্বতে বিভিন্ন ধৰণৰ বাঁহীৰ প্ৰচলন আছে, অসমৰ জাতি-জনগোষ্ঠীৰ মাজতো ভিন্ন নামেৰে বাঁহীৰ



প্ৰচলন আছে। বৈষ্ণৱ সংস্কৃতিতো বাঁহীৰ গুৰুত্ব আছে। সাধাৰণতে পাতল (বিশেষকৈ বিজুলী বাঁহ)ৰ টুকুৰাৰ পৰা বাঁহী প্ৰস্তুত কৰা হয়। ফু-দি বজাব পৰাকৈ বাঁহীত ফুটা থাকে। বাঁহীৰ মধুৰ সুৰত নাচনীৰ হিয়ামন উঠলি উঠে। আন অনুষ্ঠানতো বাঁহীৰ সুৰ শুনিলে মানুহৰ মন ভৰি যায়।



*বাঁহৰে আগৰে বাঁহী বাই*
*আছিলোঁ*
*শাহুআয়ে দেখকে বুলি,*
*শাহুআই দেখিলে*
*মিচিকিয়াই হাঁহিলে*
*জোঁৱাই ধেমেলীয়া বুলি।*




বিহুবাদ্যসমূহ অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। এই বাদ্যসমূহে বিহুক অধিক প্ৰাণৱন্ত কৰি তোলে। জাতীয় জীৱনৰ সৈতে সংপৃক্ত হৈ থকা এই বাদ্যসমূহ অসমীয়াই সঠিক ৰূপত উপস্থাপন কৰিব লাগিব, পৰিৱেশন কৰিব লাগিব, এয়া প্ৰতিজন অসমীয়াৰ দায়িত্ব আৰু কৰ্তব্য। ❑

## গল্ফীৰ ডায়েৰি ঃ মৌচুমী বৰি

ৰাতি ভাত খোৱাৰ পৰতে ৰাজৰ নিজৰ মানুহজনীৰ লগত এখুণ্ডা লাগিল। ৰাজে মুখ ফুলাই ভাত নাখাওঁ বুলি ডাইনিং টেবুলৰ পৰা উঠি গ'ল আৰু বিছনাত মূৰে-গায়ে কাপোৰ লৈ শুই থাকিল। ৰাজৰ পৰিবাৰে ৰাজলৈ বুলি বঢ়া ভাতখিনি ৰাজৰ মূৰ শিতানত থকা টেবুলখনতে থ'লেহি। ৰাজে পিছে কাপোৰৰ আঁৰত মনে মনে দেখা পালে। ইফালে তাৰ ভোকত পেটে কলমলাবলৈ আৰম্ভ কৰিলে। অলপ দেৰিৰ পিছত ৰাজৰ পৰিবাৰে ৰাজৰ কাষতে শুই পৰিল। ৰাজে ভোকত থাকিব নোৱাৰি পৰিবাৰে শুনাকৈ ক'লে--"ঐ ভাত, বেছি গোন্ধাই নাথাকিবি। কিবা খং উঠিব সোপাকে খাই পেলাম।"

।। প্ৰবন্ধ ।।




# কাকৈখনি

দীপশিখা হাজৰিকা বৰুৱা, দুলীয়াজান

প্ৰতিজন সঁচা অসমীয়াৰ হিয়াৰ আমঠু ব'হাগ। ব'হাগ বুলি ক'লেই আমাৰ গা সাতখন-আঠখন কৰে। কি যে এক মিঠা যাদু আছে এই মাদকতা ভৰা ব'হাগৰ। গাঁৱত তাঁতশালৰ খিট্ খিট্ শব্দ বাঢ়ি যোৱাৰ লগতে, বিহুৱলীয়া ডেকাই ঢোলটো, পেঁপাটো নমাই ঠিক-ঠাক কৰিবলৈ আৰম্ভ কৰে। তেনেদৰেই গাভৰুসকলেও সুতুলি, গগনাৰ খবৰ ল'বলৈ বিহুৰ অন্যান্য ব্যস্ততাৰ মাজতো আহৰি উলিয়ায় বা বাৰীৰে বাঁহ কাটি টকা এটা বনাই দিবলৈ চেনাই বা ঘৰৰ আন মানুহক কুটুৰিবলৈ ধৰে।

এনে সময়তেই আমাৰ জনসমাজৰ আৰু এটি কলাকৃতি বা আমাৰ পুৰণি সমাজৰ দৈনন্দিন প্ৰয়োজনীয় এবিধ আহিলাৰ কথা আমি সোঁৱৰোঁ। সেই আহিলাবিধ হ'ল চুলি আঁচুৰিবলৈ



ব্যৱহাৰ কৰা কাকৈখন। আগতে মানুহে চুলিটাৰি আঁচুৰিবলৈ ব্যৱহাৰ কৰা কাঠ-বাঁহৰ কাকৈখন, আজিৰ দৈনন্দিন জীৱনত ব্যৱহৃত আধুনিক ফলিখনৰ সৈতে ফেৰ মাৰিব নোৱাৰা বাবেই হয়তো হেৰাই যাবলৈ লৈছে। তথাপি বিহুৰ বতৰত আজিও নাচনীৰ খোপাৰ ই এক কপৌফুল, তগৰ ফুল বা গগনাৰ দৰে এটা অবিচ্ছেদ্য অংগ বুলিব পাৰি। ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে তেওঁৰ 'হিষ্ট্ৰী অৱ চিভিলাইজেশ্যন অৱ দ্য পিপলছ অব আছাম' গ্ৰন্থত উল্লেখ কৰিছে যে অসমীয়া নাৰীয়ে হাতীদাঁত, মহৰ শিং, কাঠ-বাঁহৰ কাকৈয়ে কেশবিন্যাস কৰি সৌন্দৰ্যবোধৰ পৰিচয় প্ৰোজ্জ্বল কৰিছিল। হাতীদাঁত বা মহৰ শিঙৰ ফণি মূল্যৱান হোৱাৰ লগতে এনে সামগ্ৰীৰে নিৰ্মিত কাকৈৰ যথেষ্ট গুণাগুণো

আছিল বুলি কোৱা হয়।

আজিও আইতাসকলে মহৰ শিঙৰ ফণিৰে মূৰ আঁচুৰিলে মূৰৰ বিষ, মূৰঘূৰণি নহয়, চুলি নসৰে বা সোনকালে চুলি নপকে ইত্যাদি আমাৰ জেষ্ঠজনক কোৱা বুলি কথা প্ৰসংগত তেওঁলোকৰ মুখত শুনা যায়। আজি প্লাষ্টিক ফণি সহজতে উপলব্ধ। এই ফণিৰ দিনত কাকৈখনৰ কথা সচেতন নাগৰিক হিচাপে চিন্তা কৰাটো যথেষ্ট সমীচীন নহ'ব যদিও ফণিৰ তুলনাত ই আমাৰ শৰীৰত প্লাষ্টিকৰ পাৰ্শ্বক্ৰিয়া কমিব সামান্য হ'লেও।

চ'তৰ শেষত যেতিয়া বিজুলী ঢেৰেকনিৰে ধাৰাষাৰ বতাহ-বৰষুণ, ধুমুহা হয় আমাৰ চৌপাশ তথা নদ-নদী, খাল-বিল-পুখুৰী, পথাৰ পানীৰে পৰিপূৰ্ণ হৈ কৃষিকৰ্মৰ বাবে উপযোগী হৈ পৰে। কিন্তু প্ৰচণ্ড ধুমুহাই ঘৰ-দুৱাৰ গছ বন ভাঙি যথেষ্ট অনিষ্টও কৰে। লোকবিশ্বাস মতে বিহুত বৰদৈচিলা হিল-দ'ল ভাঙি আউলি-বাউলি চুলিৰে মাকৰ ঘৰলৈ আহে। অসমীয়া মানুহে বৰদৈচিলা আহিলে চোতালত বৰপীৰা পাৰি তাতে কাকৈ ফণি এখন দিয়াৰ নিয়ম। এনে কৰিলে বৰদৈচিলা কিছু শাম কাটে বুলি লোকবিশ্বাস আছে।

যিয়েই নহওক, পুৰণি অসমীয়া সমাজৰ দৈনন্দিন জীৱনত যথেষ্ট প্ৰয়োজনীয় এই আহিলাবিধ যাৰ উল্লেখ আমাৰ লোককথাতো আছে, আমাৰ আন আন বহু সম্পদ আৰু কলাকৃতি বা শিল্পৰ দৰে বৰ্ত্তমান লুপ্তপ্ৰায় অৱস্থাত। মাথোঁ ব'হাগ বিহুৰ নাচনীৰ খোপাতহে বৰ্তমান সময়ত ইয়াৰ অস্তিত্ব দেখিবলৈ পোৱা যায়। তথাপিও খোপাৰ সৌন্দৰ্য বৃদ্ধি কৰা




কপৌফুল বা তগৰ ফুলৰ অভাৱত আজিকালি কৃত্ৰিম তগৰ বা কপৌফুল প্ৰতীকী ৰূপে ব্যৱহাৰ কৰা দৰে বৰ্তমান নাচনীৰ খোপাত গুঁজি লোৱা কাকৈখনো কাঠ বা বাঁহৰ সলনি সময়ৰ সোঁতত প্লাষ্টিক, ষ্টিল বা লোৰ হৈ পৰিছে বা পৰিবগৈ পাৰে।

কাকৈক লৈ গোৱা বিহু গীত —

*চ'তৰে শেষতে ব'হাগী পালেহি,*
*চুলি টি ফঁহিয়াই দিম,*
*কাকৈখনি ধৰি তোমালে বুলি*
*মন-প্ৰাণ সঁপিয়ে দিম।*


চ'তৰ শেষত বা ব'হাগৰ আৰম্ভণিতে গাভৰুৱে সাজপাৰ পিন্ধি, কাকৈ ফণিৰে চুলি ফণিয়াই বিহুৰ বাবে সাজু হোৱাৰ দৃশ্য ফুটি উঠিছে। আগৰ দিনত সকলোৱে তামোল-পাণ খাইছিল। গাভৰু বোৱাৰীহঁতে গতিকে তামোল পাণৰ টোপোলা আৰু কটাৰীখন লগতে ৰাখিছিল। সেই হাঁচটি যেনেকৈ আজি বিহু নাচনীৰ সাজপাৰৰ অংশ হৈ পৰিল, তেনেদৰেই হয়তো কাকৈয়েও নাচনীৰ খোপাত স্থান পালে। হয়তো ফণিখনৰ উপৰিভাগৰ খাঁজকটা অংশৰ বাবে হোৱা খোপাৰ সৌন্দৰ্য বৃদ্ধিও ইয়াৰ ব্যৱহাৰৰ এটা কাৰণ হ'ব পাৰে। তথাপিও বিহুনাচৰ সাজ-সজ্জাৰ ক্ষেত্ৰত কাকৈখনৰ ব্যৱহাৰ ঠাই বিশেষে বেলেগ বুলিব পাৰি। উজনি অসমত ই অতি প্ৰসিদ্ধ। প্ৰত্যেক বিহুনাচনীয়ে বা প্ৰায়ভাগেই কাকৈখন খোপাত গুঁজি লোৱা দেখা যায়। কিন্তু নামনিত ইয়াক দেখা যায় যদিও, ইয়াক লৈ কোনো ধৰাবন্ধা নিয়ম নাই যেনেই লাগে। ❑



# বৰ্তমান সমাজত স্ত্ৰী শিক্ষাৰ ভূমিকা

✍ **ৰেখামণি চাৰিঙীয়া,** লিডু-তিনিচুকীয়া

জৱাহৰলাল নেহেৰুৱে কৈছিল, *'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা। কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।'* এই কথাষাৰ নেহেৰুৱে স্ত্ৰী শিক্ষাৰ বিষয়ত কোৱা কথা। নাৰী শিক্ষাৰ প্ৰয়োজন সম্পৰ্কত ওপৰৰ এই কথাষাৰ বিশেষভাৱে প্ৰযোজ্য। শিক্ষাই মানুহৰ মনৰ অজ্ঞতা দূৰ কৰে। শিক্ষা সমাজৰ বাবে এনে এক আলোকপাত ৰেখা যিয়েই সমাজক প্ৰগতিৰ পথত আগুৱাই লৈ যাব পাৰে।



আজিৰ শিক্ষাৰ সমাজ সচেতন প্ৰতিগৰাকী নাৰীয়ে আয়ত্ত্ব কৰে। সেয়েহে তেনে শিক্ষা আহৰণ কৰাৰ বাবে বৰ্তমান সমাজত নাৰীৰ প্ৰভাৱ পৃথিৱীৰ চুকে-কোণে বিয়পি পৰিছে। আগতে নাৰীৰ বিষয়ে যি ধাৰণা লৈছিল, সমাজে যি দৃষ্টিৰে চাইছিল সেয়া আজি সম্পূৰ্ণ পৰিৱৰ্তন হৈছে। বৈদিক যুগত নাৰীয়ে পুৰুষৰ সমানে সমানে যাগ-যজ্ঞ আদিত অংশ গ্ৰহণ কৰাৰ লগতে বৈদিক শিক্ষা আৰু আধ্যাত্মিক শিক্ষাও লাভ কৰিছিল। লগতে তেতিয়াৰ সেই সমাজত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, এই তিনি জাতি নাৰীৰ বেদ অধ্যয়নৰ অধিকাৰ আছিল। শিক্ষিতা নাৰীক তেতিয়া তপস্বিনী, ব্ৰহ্মচাৰিণী আদি বিভিন্ন নামেৰে নামকৰণ কৰা হৈছিল। ঋকবেদত সেই সময়ৰ বিদূষী নাৰী লোপামুদ্ৰা, বিশ্ববাৰা, অপালা, ঈন্দ্ৰানী, শ্ৰদ্ধা আদি বেদৰ মন্ত্ৰ ৰচোঁতা নাৰীৰ নাম পোৱা যায়। কিন্তু এই উচ্চখাপৰ স্ত্ৰী শিক্ষা দ্ৰুতগতিত অৱনতি ঘটিবলৈ ধৰে খ্ৰীঃ পূঃ ২০০ মানৰ পৰা ১২০০ চনৰ ভিতৰত। আনকি ভাৰতীয় সমাজত জনসমাজত খোদিত হ'ল নাৰীৰ প্ৰতি শোষণ আৰু দমনমূলক নীতি। তদুপৰি বাল্যবিবাহ, সতীদাহ প্ৰথা, পৰ্দা প্ৰথা আৰু অন্যান্য অন্ধবিশ্বাসসমূহে স্ত্ৰী শিক্ষাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল। নাৰীক চাৰিবেৰৰ মাজত আবদ্ধ কৰি ৰাখিবলৈ বাধ্য কৰালে। সেই তেতিয়াৰে পৰা নাৰী শিক্ষা গৌণ হৈ পৰিল। সৃষ্টি হ'ল পুৰুষপ্ৰধান সমাজৰ।

ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত বিশেষ কাৰ্যসূচী হাতত লোৱা নাছিল যদিও খ্ৰীষ্টান মিছনেৰীসকলৰ ভিতৰত 'ৰেভাৰেণ্ডয়ে' আৰু 'ৰেভাৰেণ্ড কেৰী'ৰ নাম স্ত্ৰী শিক্ষাৰ প্ৰচাৰকৰ ভিতৰত অন্যতম। ইয়াৰ পাছতে আমি নাম ল'ব পাৰোঁ 'ইষ্ট ইণ্ডিয়া কোম্পানী'ৰ প্ৰথম গৱৰ্নৰ জেনেৰেল লৰ্ড উইলিয়াম বেণ্টিংকৰ।


বেণ্টিংকে আন আন সংস্কাৰমূলক কাৰ্য কৰাৰ লগতে স্ত্ৰী শিক্ষাৰ প্ৰচলন, বাল্যবিবাহ,

সতীদাহ প্ৰথা, পৰ্দা প্ৰথা আদি নিবাৰণত গুৰুত্ব প্ৰদান কৰিছিল। ৰাজা ৰামমোহন ৰায়, দয়ানন্দ সৰস্বতী, ৰামকৃষ্ণ পৰমহংস আদি বৰেণ্য ব্যক্তিৰ উদ্যোগত স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত নৱজাগৰণৰ সৃষ্টি হয়।

বেদত উল্লেখ আছিল যে, য'তেই নাৰীক সন্মান প্ৰদান কৰা হয়, উপযুক্ত স্থান দিয়া হয়, তাতেই ভগৱানৰ ঐশ্বৰিক মহিমাৰে মহিমামণ্ডিত হৈ থাকে। নাৰীক উচ্চ স্থান দিয়াৰ উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি ভাৰতৰ কেইবাখনো বিখ্যাত নদীৰ নাম। যেনে — গংগা, যমুনা, কৃষ্ণা, কাবেৰী, নৰ্মদা ইত্যাদি। ঠিক তেনেদৰে দেৱ-দেৱীৰ ক্ষেত্ৰতো হোৱা দেখা যায়। বৰ্তমান ভাৰততেই হওক বা বিদেশতেই হওক, নাৰীয়ে বিশৃংখলতা আৰু অশান্তিৰ সৃষ্টি নকৰাকৈ দেশৰ শাসন ব্যৱস্থা পৰিচালনা কৰাত উন্নতি সাধন কৰিছে। উদাহৰণস্বৰূপে আমি ক'ব পাৰোঁ, ভাৰতৰ শাসন ব্যৱস্থা পৰিচালনা কৰিছিল ইন্দিৰা গান্ধীয়ে ধৈৰ্য আৰু সাহসেৰে। দ্বিতীয়তে ইংলেণ্ডত বহুতো সাম্ৰাজ্য শাসন কৰিছিল যদিও মহাৰাণী ভিক্টোৰিয়াৰ নিচিনাকৈ নিপুণভাৱে কোনেও শাসন কৰিব পৰা নাছিল। এই কেইগৰাকী নাৰীয়ে সাহস আৰু ধৈৰ্যৰে সংগ্ৰাম কৰি সমাজ আৰু দেশৰ উন্নতিৰ কাৰণে জীৱন উৎসৰ্গা কৰিছিল।

বৰ্তমান নাৰীয়ে পুৰুষৰ সমানে খোজ মিলাই উত্তৰণৰ দিশলৈ গতি কৰিছে। শিক্ষাৰ প্ৰসাৰে যাতে নাৰীক অৱনমিত নকৰি কৰ্মৰ মাজেৰে সামাজিক পৰিৱৰ্তন অনাত সহায় কৰে। তাৰ প্ৰতি নাৰী সমাজৰ ওপৰত দৃষ্টি ৰাখিব লাগে। শিক্ষা-দীক্ষা আৰু নিজৰ কৰ্মৰ মাজেৰে সামাজিক পৰিৱৰ্তন অনাত সহায় কৰা কেইগৰাকীমান নাৰীৰ নাম এইখিনিতে উনুকিয়াব পাৰি। সাহিত্যৰ ক্ষেত্ৰত ড° মামণি ৰয়ছম গোস্বামী, অনুৰাধা শৰ্মা পূজাৰী, নিৰুপমা বৰগোহাঞি, বোলছবি পৰিচালনাৰ ক্ষেত্ৰত, মঞ্জু বৰুৱা, জাহ্নু বৰুৱা, প্ৰথম মহিলা মহাকাশচাৰী কল্পনা চাওলা, শান্তিৰ নোবেল বঁটা বিজয়ী মাদাৰ টেৰেছা আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মুঠতে বৰ্তমান নাৰীক অস্বীকাৰ কৰি বা হেয় প্ৰতিপন্ন কৰি এখন সুখৰ পৃথিৱী কল্পনা কৰিব নোৱাৰি। নাৰীক অৰ্ধাকাশ আৰু শক্তিৰ আধাৰ ৰূপে আখ্যা দিয়া হয়। নাৰী অবিহনে সৃষ্টিৰ অৰ্থ নাই। নাৰীয়ে বিশৃংখল সমাজ ব্যৱস্থাক শৃংখলাভাৱে আগুৱাই নিবলৈ সক্ষম হৈছে।

বৰ্তমান সমাজৰ উচ্ছৃঙ্খলতা, দুনীৰ্তি, অন্যায় আদিক মষিমূৰ কৰি নাৰীক পুৰুষৰ সমানে আসন লাভ কৰোৱাৰ বাবে আজিৰ নাৰী সমাজ আগবাঢ়িব পাৰিব লাগিব। কিন্তু বৰ্তমানেও দেশত এনে ঠাই আছে য'ত ছোৱালীক ল'ৰাতকৈ তুচ্ছ জ্ঞান কৰা শিক্ষা পোৱাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। ছোৱালীক কেৱল ঘৰুৱা কাম-কাজতে আবদ্ধ ৰাখি এক সীমাত বান্ধি ৰখা হৈছে। কিন্তু বৰ্তমান চৰকাৰী আইন আৰু আঁচনিৰ হস্তক্ষেপত এই অৱস্থাৰ ক্ৰমে উন্নতি হৈছে। নাৰী শিক্ষা প্ৰসাৰেহে সমাজলৈ পৰিৱৰ্তন আনিব। পুৰুষৰ লগতে নাৰীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হ'লেহে সমাজ, জাতি তথা দেশৰ সৰ্বাংগীণ উন্নতি সাধন হ'ব। ❑



# আমি দিব পাৰোঁ মাত্ৰ আমাৰ লগত থকাখিনিয়েই

✍ **ৰীণা বিশ্বাস,** দুলীয়াজান

এখন গাঁৱত এটা সাধাৰণ ল'ৰা আছিল। দেশত আকাল পীড়িত হৈ তাৰ পৰিয়ালৰ সকলো মানুহ নাখাই মৰিল। কিন্তু ভাগ্যক্ৰমে সি বাচি গ'ল। এদিন গাঁৱত মানুহে কোৱা কুই কৰিলে যে এজন ধনী সদাগৰ বেপাৰৰ পৰা ঘূৰি আহোঁতে সিহঁতৰ গাঁওখনলৈ আহিব আৰু সকলোকে কিবা নহয় কিবা সাহায্য দিব। সেই কথা শুনি ল'ৰাটোৰ মনত ৰং লাগিল। লগতে সি ভাবিলে — সাদাগৰে ইমান দূৰৰপৰা আহি তাক কিবা দিব, কিন্তু সিয়োতো সদাগৰক সামান্য হ'লেও কিবা এটা দিব লাগে। সি চিন্তা কৰি চালে যে তাৰ পিন্ধনত ফটা-ছিটা কাপোৰ আৰু ঘৰৰ ভিতৰত সামান্য দুই-চাৰিটা বস্তুৰ বাহিৰে আন একো নাই। আৰু ইমান ধনী সদাগৰে জানো তাৰ এনে বস্তু দিলেও ল'ব?

এই কথা ভাবি থাকোঁতে সঁচাকৈয়ে এদিন সদাগৰে ডাঙৰ বাহন এখনত নানান খাদ্য সামগ্ৰীৰ লগতে কাপোৰ, বিভিন্ন নিত্য ব্যৱহাৰ্য বস্তু লৈ সিহঁতৰ গাঁৱত উপস্থিত হ'ল। সকলোৱে সদাগৰৰপৰা বস্তু ল'বলৈ হেতা-ওপৰা কৰিবলৈ ধৰিলে। সকলোৱে হাতত বস্তুৰ মেটমৰা টোপোলা লৈ আনন্দ মনেৰে নিজৰ নিজৰ ঘৰৰ দিশে ঢাপলি মেলিলে। কিন্তু সি এঠাইত থিয় হৈ মানুহবোৰলৈ চাই থাকিল।



সদাগৰৰ ওচৰ চাপি বস্তু ল'বলৈ আগবাঢ়ি নোযোৱা দেখি সদাগৰৰ লগুৱা এজনে তাক ধৰি সদাগৰৰ ওচৰলৈ লৈ গ'ল। সি সদাগৰৰ ওচৰলৈ গৈ তলমূৰ কৰি থিয় হৈ থাকিলত সদাগৰে তাক মৰমেৰে সুধিলে — 'সকলোৱে বস্তু লৈছে আৰু আনন্দ মনেৰে ঘৰলৈ উভতি গৈছে। তুমি কিয় কাষ চাপি অহা নাই? তোমাৰঘৰত খোৱা বস্তু আছেনে নাই? '

সদাগৰৰ প্ৰশ্ন শুনি ল'ৰাটোৱে কোনোমতে মূৰ দাঙি বিনয়ভাৱে উত্তৰ দিলে — 'মহাশয় আপুনি মোক ইমান বস্তু দিব, তাৰ বিপৰীতে মই আপোনাক দিবলৈ মোৰ ঘৰত একোৱেই নাই। সেই বাবেই মই আপোনাৰ পৰা বস্তু ল'বলৈ আগবাঢ়ি অহা নাছিলোঁ।'

ল'ৰাজনৰ বিনয়ী আৰু সৎ মনোভাৱেৰে কোৱা কথাখিনি শুনি সদাগৰে বুজি পালে যে ল'ৰাটো দুখীয়া নিছলা হ'লেও বৰ সাধু চৰিত্ৰৰ। গাঁৱৰ কোনো মানুহেই তাৰ দৰে চিন্তা কৰা নাই। বৰং প্ৰত্যেকেই নিজৰ নিজৰ টোপোলা লৈ আনন্দ মনেৰে গুচি গৈছে। সদাগৰে তাৰ হাত দুখনত ধৰি ক'লে — 'কোনে কৈছে, তোমাৰ লগত একোৱেই নাই বুলি? তোমাৰ লগত ভোক আছে, দৰিদ্ৰতা আছে আৰু আছে তোমাৰ সৰলতা। গতিকে তুমি মোক তাৰেই পৰা এটা বস্তু মোক দি মোৰ পৰা সহায়ৰ টোপোলাটো ল'ব পাৰা। সদাগৰৰ কথা শুই ল'ৰাটো আচৰিত হোৱা দেখি সাগৰে ক'লে, 'ভাই

মই ইমান ভাৰতখন ঘূৰি ফুৰি বেপাৰ-বাণিজ্য কৰিলোঁ, ইমান মানুহ লগ পালোঁ কিন্তু তোমাৰ দৰে চিন্তা কৰা মানুহ মই ক'তো পোৱা নাই। কাৰণ তোমাৰ লগত আছে সৰলতা, সৎ গুণ আৰু বিনয়। মই তোমাৰ পৰা সৰলতা, সৎ গুণ আৰু বিনয় মোলৈ ল'লোঁ আৰু মোৰ পৰা তুমি সাহায্যৰ টোপোলাটো লোৱা।' এই কথা কৈ টোপোলাটো হাতত দি সদাগৰ তড়িৎ গতিৰে তাৰ পৰা প্ৰস্থান কৰিলে।

ওপৰত উল্লেখ কৰা কাহিনীটো মই ক'ত শুনিছিলোঁ বা পঢ়িছিলোঁ মোৰ ঠিক মনত নাই। কিন্তু কাহিনীটোৱে মোৰ মনৰ কোনোবাখিনিত সাঁচ এটা বহুৱাই থৈ গৈছে। আমি কেতিয়াবা ভাবোঁ আমাৰ লগত কিনো আছে আনক দিবলৈ ? যি আছে, সেয়া দেখোন নিজ লৈয়ে নাটে। তথাপি আমি প্ৰয়োজন সাপেক্ষে কিছুমান ঠাইত কিবা দিবলগীয়া হয়। তৈত্তিৰীয় উপনীষদত 'শ্ৰদ্ধয়া দেয়া, অশ্ৰদ্ধয়া অদেয়ম।' বুলি কৈছে। ইয়াৰ অৰ্থ হ'ল — শ্ৰদ্ধাযুক্ত মন লৈ দান কৰিবা। অশ্ৰদ্ধাযুক্ত মন লৈ 'নিদিলে নহয়' ভাবত দান কৰাটো নকৰাৰ সমান।'

অৰ্থাৎ আমি আনৰ উপকাৰৰ হেতু যিয়েই দান নকৰোঁ কিয়, তাত মনৰ প্ৰসন্নতা আৰু শ্ৰদ্ধা থাকিব লাগিব। মনত ইচ্ছা নথকা কৈ দান কৰিলে, সেই দান নিঃস্বাৰ্থ নহয়। আমি সামাজিক প্ৰাণী হিচাপে দান বৰঙনি দিয়াৰ পৰা কোনেও আঁতৰি থাকিব নোৱাৰোঁ। সেই বাবেই উপনীষদৰ যুগত শিক্ষা সাং কৰি গাৰ্হস্থ্য আশ্ৰমত প্ৰৱেশ কৰিব বিচৰা ছাত্ৰসকলক গুৰুৱে উপদেশ দিছিল — শ্ৰদ্ধাযুক্ত মনলৈ নিজে আৰ্জন কৰা সম্পদৰ পৰা কিছু অংশ সমাজৰ দুখীয়াসকলক আৰু সামাজিক, সাংস্কৃতিক কল্যাণ সাধন কৰিবলৈ সাধ্যানুসাৰে দান কৰিবা।

ওপৰত উল্লিখিত গল্পটোত সদাগৰে দুখীয়া ল'ৰাটোৰ গাত সৎ আৰু সৰলতা গুণ আৱিষ্কাৰ কৰাৰ দৰেই আমাৰ প্ৰত্যেকৰেই গাত কিছুমান বিশেষ দোষ-গুণো আছে। আমাৰ মাজত কিছুমান মানুহ মানৱদৰদী চৰিত্ৰৰ, কিছুমানৰ মনটো মানৱ দৰদী যদিও আৰ্থিক সামৰ্থ্য অবিহনে তেওঁ আনৰ উপকাৰ কৰিবলৈ ইচ্ছা থকা সত্ত্বেও মনৰ ইচ্ছা পূৰ্ণ কৰিব নোৱাৰে। আকৌ কিছুমানে হয়তো নিজলৈ লগাখিনি থৈ সকলো আনৰ মংগলৰ অৰ্থে দান কৰিব পাৰে। এইদৰে আমাৰ সমাজত ভিন্ন ভিন্ন চৰিত্ৰৰ মানুহ থাকে। কিন্তু যদিও আমি আনক দিব পৰাকৈ আমাৰ হাতত একোৱেই নাথাকে তথাপি আগন্তুকে আমাৰ পৰা খালি হাতেৰে ঘূৰি নাযায়। ইয়াতেই গল্পটোৰ মূল তাৎপৰ্য ফুটি উঠে। আমাৰ মনত যদি হিংসা, ঈৰ্ষা, খং, অহংকাৰে পৰিপূৰ্ণ হৈ থাকে তেনেহ'লে আমি যাৰেই সংস্পৰ্শলৈ আহোঁ, সেইজন আগন্তুকেই আমাৰ ব্যৱহাৰৰ চানেকিৰ পৰা কিবা নহয় কিবা গুণ দান হিচাপে লৈ যায়। আপোনাৰ যদি দয়া আছে, তেন্তে আনে আপোনাৰ পৰা দয়া গুণ অলপ হ'লেও দান হিচাপে গ্ৰহণ কৰিব ঠিক সেইদৰে আমাৰ মনত উপলব্ধ যিবোৰ গুণৰ দ্বাৰা আমি আনৰ সৈতে যুক্ত হওঁ তদ্ৰূপ তেনেকুৱা একোটা গুণেই আনে ধাৰ কৰি লৈ যায়। তাৰ ফলস্বৰূপে আপোনাক বা মোক এটা পৰিচয়ো দি যায়। যদি আপুনি দয়া দিব পাৰিছে তেন্তে দয়াৱান, যদি আপুনি হিংসা, ঈৰ্ষা, অহংকাৰী চৰিত্ৰ প্ৰদৰ্শন কৰিছে তেনেহ'লে সেই অনুসৰিয়েই আপুনি পৰিচয় লাভ কৰিব।

গতিকে গল্পটোত কোৱাৰ দৰে আমাৰ লগত যি থাকে সেয়াই আমি আনক দিব পাৰোঁ। এতিয়া কথাটো হ'ল — আমি আনক কি দিব পাৰোঁ সেইটো সম্পূৰ্ণকৈ আমাৰ নিজৰ ওপৰত নিৰ্ভৰশীল। ❑

# অসমত কৃষি ব্যৱসায় আৰু কৰ্ম সংস্থাপনৰ পৰিসৰ

✍ ড° লিপিকা তালুকদাৰ

অতীজৰপৰা ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ আৰু কৃষিৰ বাবেই ভাৰতবৰ্ষ যথেষ্ট চহকী আছিল। সেই সময়ত দেশখন সোণৰ চৰাইৰ দেশ বুলি জনা গৈছিল। মোগল অহাৰআগৰ সময়লৈকে গোটেই পৃথিৱীৰ মুঠ ঘৰুৱা উৎপাদন আছিল ৩২%, মোগল অহাৰ পাছত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন কমি গৈ একেবাৰে ২৬% হ'লগৈ। ইয়াৰেই পাছত বৃটিছ আহিল আৰু বৃটিছ অহাৰ পাছতে আমাৰ দেশৰ জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা ক্ৰমশ হ্ৰাস পাবলৈ ধৰিলে। ফলত বহুতবাৰ দুৰ্ভিক্ষই দেখা দিলে আৰু আমাৰ ভাৰতবৰ্ষ বিশ্ব মানসত এখন দুখীয়া দেশ হিচাপে জনাজাত হ'ল। যি কৃষি আমাৰ দেশৰ অৰ্থনীতিৰ মূল আধাৰ আছিল, সেয়া একেবাৰে থানবান হৈ গ'ল। আমি খাদ্যবস্তুৰ ক্ষেত্ৰতো অইন দেশৰ ওপৰত নিৰ্ভৰ হ'ব লগা হ'ল। এনেকুৱা পৰিস্থিতিত, খাদ্য অনাটনৰপৰা ৰক্ষা পাবলৈ কৃষি গৱেষণা কেন্দ্ৰ তথা কৃষি বিশ্ববিদ্যালয় আৰম্ভ হ'ল আৰু অধিক উৎপাদনশীল বীজ তথা উন্নত কৃষি পদ্ধতিত কৃষিয়ে লাহে লাহে এক গতি লাভ কৰিব ধৰিলে।

বৰ্তমান সময়ত ভাৰতবৰ্ষ এখন খাদ্য অনাটন দেশৰপৰা খাদ্যৰে পৰিপূৰ্ণ দেশলৈ ৰূপান্তৰিত হ'বলৈ ধৰিছে। দেশৰ অৰ্থনীতিত বৰ্তমান কৃষিৰ অংশীদাৰিত্ব ১৭% (২০২৪-২০২৫) আৰু ৰপ্তানি মূল্য ৩৮.৬৩বিলিয়ন (USD)। আমাৰ দেশৰ এতিয়াও ৫৫% নাগৰিক কৃষি বা কৃষিজাত ব্যৱসায়ৰ লগত জড়িত আৰু কৃষিৰ বাদ দি আমাৰ দেশৰ একো উন্নতিৰ কথা আমি চিন্তা কৰিব নোৱাৰি। সেয়েহে হয়তো ড° এম এছ স্বামীনাথনে কৈছিল, 'If Agriculture fails everything else will fail.'

পিছে, যথেষ্ট সম্ভাৱনা থকাৰ পাছতো আমাৰ শিক্ষিত যুৱক-যুৱতীৰ প্ৰথম পচন্দ কিন্তু কৃষি নহয়। ইয়াৰ কাৰণ হয়তো এয়াই যে কৃষিত যথেষ্ট লাভ নহয় বুলি মানুহে ভাবে আৰু কৃষিক বৃত্তি হিচাপে ল'বলৈ মানুহৰ মাজত শংকা আছে। যদি আমাৰ ৰাজ্য অসমৰ কথাকে আমি চাওঁ, লাহে লাহে শিক্ষিতৰ হাৰ বাঢ়ি গৈছে। গাঁও বা চহৰ অঞ্চলত স্কুললৈ নোযোৱা ল'ৰা-ছোৱালীৰ সংখ্যা নোহোৱা হ'বলৈ ধৰিছে। এই যুৱচামৰ প্ৰায়ভাগেই জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে মাথোঁ এটা চৰকাৰী চাকৰি। কিন্তু এয়া জানো এখন চৰকাৰৰ কাৰণে সম্ভৱ? কেতিয়াও সম্ভৱ নহয়। তেতিয়া ল'ৰা-ছোৱালীবিলাকে নিজকে কি বুলি পৰিচয় দিব, এজন শিক্ষিত নিবনুৱা? সেয়া কেতিয়াও কাম্য নহয়। আমাৰ চাকৰিমুখী যিটো মানসিকতা আছে তাক সলনি কৰিবলৈ

চেষ্টা কৰিব লাগিব আৰু কৃষি, পশুপালন বা অন্যান্য আধুনিক উদ্যোগ গঢ় দিয়াৰ মানসিকতা গঢ়ি তুলিব লাগিব। আমি স্ব-নিয়োজনৰ বিষয়ত যথেষ্ট গুৰুত্ব দিব লাগিব। কৃষিখণ্ড স্ব-নিয়োজনৰ এটা অতি অত্যন্ত সম্ভৱনা থকা ক্ষেত্ৰ, যদিহে এই ক্ষেত্ৰত বিজ্ঞানৰ সংযোজন ঘটোৱা হয়। কৃষি ক্ষেত্ৰত বিজ্ঞান যথেষ্ট আগবাঢ়ি গৈছে আৰু আমি ন— ন প্ৰযুক্তিৰে অধিক উৎপাদন কৰিবলৈ এতিয়া সক্ষম। কিন্তু আমি অধিক উৎপাদন কৰিলেই নহ'ব, আমি অসমীয়াই বিক্ৰী কৰাৰ কৌশল আয়ত্ত কৰিব লাগিব আৰু তেতিয়াহে অধিক লাভৱান হ'বলৈ সক্ষম হ'ম। যেতিয়া অধিক লাভ হ'ব তেতিয়া কৃষি খণ্ডৰ প্ৰতি অধিক শিক্ষিত যুৱক-যুৱতী আকৰ্ষিত হ'ব। আমি যদি পঞ্জাৱ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আদি ৰাজ্যৰ কৃষককলৈ চাওঁ, তেতিয়া দেখিম যে তেওঁলোকে উৎপাদন কৰিয়েই ক্ষান্ত থকা নাই। তেওঁলোকে ভাৰতবৰ্ষৰ ৰাজ্যবিলাকত য'ত চাহিদা বেছি তাতেই উৎপাদিত সামগ্ৰী উপভোক্তাৰ টেবুলৰ ওচৰলৈ লৈ গৈছে আৰু অধিক মুনাফা পাইছে। সেয়া আমিও কৰিব লাগিব। আমি কৃষি সামগ্ৰীৰ সংসাধন, পেকেজিং আৰু মূল্য সংযোজনৰ ওপৰত গুৰুত্ব দিব লাগিব। কেতিয়াবা এনেকুৱা লাগে যেন আমি অসমীয়া কৃষকে উৎপাদন কৰিব জানো কিন্তু বেচিব নাজানো। আমি Market Intelligence ত গুৰুত্ব দিব লাগিব। সঠিক সময়ত, সঠিক ঠাইত উৎপাদিত সামগ্ৰী বেচিব লাগিব আৰু তেতিয়াহে আমি কষি কাৰ্য বা কৃষি পামৰ জৰিয়তে অধিক লাভান্বিত হ'ম।

আমি যদি অসমত কৃষি ব্যৱসায়ৰ বিভিন্ন সম্ভাৱনাবোৰলৈ চাওঁ, য'ত কৰ্মসংস্থাপনৰ লগতে কৃষিভিত্তিক উদ্যোগ গঢ় লৈ উঠিব পাৰে, তেতিয়া তলত উল্লেখ কৰা ক্ষেত্ৰকেইটাৰ কথা ক'ব পাৰি-

**১। জৈৱিক তথা প্ৰাকৃতিক কৃষি পদ্ধতি ঃ**

বৰ্তমান সমগ্ৰ বিশ্বত ১৫৭খন দেশে জৈৱিক কৃষি কৰি আছে আৰু ই সমগ্ৰ বিশ্বৰ কৃষি উৎপাদন ১২ জৈৱিক কৃষিৰ বিশ্ব বজাৰখন বৰ্তমানৰ ৬৯.৬৪বিলিয়ন আমেৰিকান ডলাৰ আৰু ই বছৰি১১.১% হাৰত বৃদ্ধি হৈ আছে। আমাৰ দেশ ভাৰতবৰ্ষৰ অংশীদাৰ বহুত কম, যাক আমি যথেষ্ট বঢ়োৱাৰ অবকাশ আছে। মানুহৰ মন সলনি হৈছে আৰু স্বাস্থ্যৰ প্ৰতি সচেতন হৈছে। সেয়ে জৈৱিকভাৱে উৎপাদিত সামগ্ৰীৰ চাহিদা তথা বজাৰ মূল্য বাঢ়িছে, গতিকে এইক্ষেত্ৰত যথেষ্ট লাভৱান হোৱাৰ সম্ভাৱনা আছে। কিছুমান জৈৱিক কৃষিৰ লগত জড়িত ব্যৱসায় হ'ব পাৰে যেনে—জৈৱিক কৃষি পাম, জৈৱিক কৃষিৰ দোকান, জৈৱিক কৃষিৰ বজাৰ, জৈৱিকভাৱে উৎপাদিত গা-ধোৱা বা সৌন্দৰ্য চৰ্চাত ব্যৱহাৰ হোৱা সামগ্ৰী, জৈৱিক packaged খাদ্য, জুচবাৰ, জৈৱিক সামগ্ৰী বিক্ৰীৰ অনলাইন প্লেটফৰ্ম, জৈৱিক কৃষিৰ কনচাল্টেন্সি ছাৰ্ভিচ, জৈৱিক বীজ উৎপাদন ইত্যাদি।

**২। কাঠফুলা উৎপাদন ঃ**

কাঠফুলা যথেষ্ট পুষ্টিকাৰক আৰু ঔষধি গুণযুক্ত খাদ্যৰ নতুন উৎস হিচাপে পৃথিৱীত ইয়াৰ গুৰুত্ব লাহে লাহে বৃদ্ধি পাইছে। কাঠফুলা উৎপাদনত বিশ্বত ভাৰতৰ স্থান অষ্টম। এইখিনিৰ আকৌ ৯০% পঞ্জাৱ, হাৰিয়ানা আৰু হিমাচল প্ৰদেশত হয়। অসমত আমদানিকৃত ফৰমেলিন

ব্যৱহাৰ কৰা মাছৰ বিকল্প হিচাপে কাঠফুলাৰ কথা ভাবিব পাৰি আৰু অকল অসমত ই প্ৰায় ১০০কোটি টকাৰ ব্যৱসায় হ'ব। অয়ষ্টাৰ আৰু বাটন কাঠফুলাৰ উপৰিও ছিতাকে কাঠফুলাৰ দৰে বৰ্ধিত মূল্যৰ কাঠফুলা বহুলভাৱে উৎপাদনৰ কথা চিন্তা কৰিব পাৰি। কাঠফুলা উৎপাদনত অসম বহুত পিছ পৰি আছে আৰু প্ৰায়খিনি স্পন বাহিৰৰ ৰাজ্যৰ পৰা আহে। সেয়েহে গুণগতমানসম্পন্ন স্পন উৎপাদনো এটা ভাল ব্যৱসায় হ'ব পাৰে।

**৩। গোমধান আৰু চয়াবিনৰ খেতি ঃ**

গোমধান আৰু চয়াবিন এই দুটা পশুখাদ্য আৰু মাছৰ দানাৰ মূল উপাদান আৰু ইয়াৰ দামো যথেষ্ট বেছি। কাৰণ ই বহিঃৰাজ্যৰ পৰা আনিব লগা হয়। ফলত মৎস্য উৎপাদন তথা পশুপালনৰ খৰচ বেছি হয় আৰু লাভ কম হয়। আমি যদি অসমত গোমধান আৰু চয়াবিন খেতি বহুলভাৱে কৰিব পাৰো। তেতিয়া পশুখাদ্য তথা মাছৰ দানাৰ এটা উদ্যোগ গঢ়লৈ উঠিব পাৰে।

**৪। পশুপালন ঃ**

পশুপালনৰ ভিতৰত গাহৰি ফাৰ্ম, গৰু ফাৰ্ম আৰু ছাগলীৰ ফাৰ্ম এটা অত্যন্ত লাভজনক ব্যৱসায়। অসমত লেয়াৰ ফাৰ্ম আৰু গাহৰি পালন লাহে লাহে এটা উদ্যোগলৈ ৰূপান্তৰিত হ'ব ধৰিছে। অসমত বহু কেইজন এনেকুৱা ব্যৱসায় আছে যিকেইজনে বছৰি এক কোটিৰো অধিকটকাৰ মাৰ্কেটিং কৰিও আছে। কিন্তু গৰু, গাহৰি বা ছাগলী পালনত আমি যথেষ্ট সাৱধানতাৰে আগবাঢ়িব লাগিব। আমি প্ৰতিটো কাম বিজ্ঞানসন্মত পদ্ধতিত কৰিব লাগিব আৰু সংসাধন, পেকেজিং মূল্য সংযোজন আৰু মাৰ্কেটিঙৰ ওপৰত গুৰুত্ব দিব লাগিব।

**৫। লেয়াৰ ফাৰ্মিং ঃ**

অসমত প্ৰতিদিনে ৩০-৩৩ লাখ কণী বাহিৰৰ ৰাজ্যৰ পৰা আহে আৰু প্ৰতিদিনে ভালেখিনি টকা অসমৰ পৰা বাহিৰৰ ৰাজ্যলৈ ওলাই যায়। অসমত লেয়াৰ ফাৰ্মিঙত যথেষ্ট লাভ দেখা গৈছে আৰু তথ্যমতে অসমৰ বহুকেইখন ফাৰ্মত বছৰি টাৰ্ণ অভাৰ এক কোটি টকাৰ ওপৰত।

**৬। মৎস্য উৎপাদন ঃ**

মৎস্য পালন এক অত্যন্ত লাভজনক ব্যৱসায় আৰু অসমত মৎস্য উৎপাদনৰ এক সুন্দৰ পৰিৱেশ আছে। অসমত ২৮৬ লাখ হেক্টৰ পুখুৰী খাল-বিল, জলাশয় ইত্যাদি আছে। তদুপৰি ব্ৰহ্মপুত্ৰ, বৰাক উপত্যকাকে ধৰিৱখন নৈ-উপনৈ আছে য'ত আমি যথোচিতভাৱে মৎস্য উৎপাদন কৰিলে আমি স্বাৱলম্বি হ'ব পাৰিম।

সম্পূৰ্ণ বিজ্ঞানসন্মতভাৱে ফাৰ্ম খুলিলে কৃষি বা কৃষিজাত ব্যৱসায়ৰ পৰা যথেষ্ট লাভৱান হ'ব পাৰি। ফাৰ্ম খোলাৰ আগতে শান্ত মগজুৰে প্ৰাথমিক জ্ঞান গোটাই লৈ আগবঢ়া উচিত। চৰকাৰী প্ৰশিক্ষণ কেন্দ্ৰ তথা ডিজিটেল মাধ্যম আৰু দাঁতিকাষৰীয়া সফল উদ্যমী কৃষকৰ পৰা তথ্য আহৰণ আৰু প্ৰশিক্ষণ লৈ আগবাঢ়িলে সফল হোৱাটো নিশ্চিত। ❑

ই-মেইল ঃ lipika.talukdar@aau.ac.in

# নিখোজ অস্তিত্বৰ সন্ধানত মৌনতাৰ সমদল

✍ **মানৱী বৰা,** নতুন দিল্লী

মৌনতাৰ আঁৰত
হাজাৰ শব্দৰ কোলাহল

প্ৰসৱৰ বেদনাত
শব্দই বাট হেৰুৱায়!
অৰ্থ হেৰায়।
নিখোজ অস্তিত্বৰ সন্ধানত
শব্দই মৌনতাৰ আস্বাদনত বাট বুলে... !

শব্দবোৰ কেৱল কথা নহয়

মন সাগৰৰ প্ৰতিটো ঢৌৰ উত্তাল তৰংগই
প্ৰসৱ কৰা শব্দবোৰ
অনুভূতিৰ বোকোচাত উঠি
কথা হৈ
যেতিয়া মূল্যহীনতাৰ দোমোজাত
থমকি ৰয়

আৱেগৰ মৃত্যু হয়

সেইবাবেই
মূল্যহীন কোলাহলতকৈ



মৌনতাৰ আশ্ৰয়েই ভাল!

য'ত আত্ম-অস্তিত্বৰ হাহাকাৰ নাই
আত্মবিশ্লেষণৰ প্ৰয়োজন নাই
নাই কোনো ইচ্ছা পূৰণৰ আকাংক্ষা...

ৰৈ যায় মাথোঁ
আত্ম-উপলব্ধি অহৰহ প্ৰয়াস
আত্মসন্ধানৰ শক্তিশালী যাত্ৰা
অস্তিত্ব ৰক্ষাৰ মৌন সমদল ... ! ❑

মেইল আইডি ঃ manabibora1979@gmail.com

# কি সময় আছিল সেয়া

✍ **নূপুৰ হাজৰিকা,** বিশ্বনাথ চাৰিআলি

কি সময় আছিল সেয়া
মনত নাই দিন নে ৰাতি,
দিন-ৰাতিৰ সন্ধিক্ষণ,
স্বপ্নভংগৰ সময় সেয়া
এটা ছেকেণ্ডত কেনেকৈ সলনি হৈ যায়
অলপ আগলৈকে ৰং বোলোৱা
পৃথিৱী?
এটা শব্দই কেনেকৈ আউল লগাই দিলে
ৰঙীন সূতাৰে গাঁথি অনা সপোন
এটা শব্দতে
থনথনকৈ সৰি পৰিল কত মুহূৰ্ত

মুহূৰ্তবোৰেই সঁচা আছিল নে
নে মুহূৰ্তবোৰ ভাঙি যোৱাৰ বেদনাটো!

কি সময় আছিল সেইটো দিন নে ৰাতি
এটা শব্দত থমকি ৰোৱা এটা হৃৎপিণ্ড
স্তব্ধ পৃথিৱীৰ বুকুত
ক্ৰমশঃ হেৰাই যোৱা
মোৰ মুখ!



আটাহ পাৰি ক'বলৈ মন গৈছে আকাশক
নাচাবি আকাশ
নাচাবি আৰু
চকু ঢাকি ধৰ
মোৰ মুখ লুকুৱাবলৈ ঠাই নাই
কত মৰোঁ মই?
মইতো নিজকে এনেকৈ দেখা মনত নাই!
চকু ঢাকি ধৰ
অ' আকাশ□

# অগ্নিস্নান

✍ **ডামিনী তালুকদাৰ,**
**সুন্দৰবড়ী, জালুকবাৰী**

শব্দৰ মায়াজালত আবৰা প্ৰদেশখনত
এমুঠি ফৰকাল ডাৱৰে জীৱন বিচাৰে,
সন্মুখ সমৰত ৰোৱা পৰ্বতমালাই
উভতি অহা পথিকৰ গোপন গাথা
সংগোপনে নিজতে বিলীন কৰি লয়।
জীয়া সপোনৰ আহুতি দিয়া পৰত
প্ৰকৃতিৰ নিত্য কৰ্ম চিৰাচৰিত চলি যায়,
আকৌ অস্তিত্বৰ শংকাত দহণ হোৱা
প্ৰদেশখনে যেন
সদ্যস্নাতা হৈ নব্য দুৱাৰত প্ৰৱেশ কৰে। □

# চাৰে চাৰি ফুটৰ খেল

পঙ্কজ ফুকন

'চা- মিনা-মিনা- এ-এ

ৰাক্কা —ৰাক্কা- এ- এ'

চাকিৰাৰ গীত বাজি আছে। ষ্টেডিয়ামৰ ভিতৰৰ অংশৰপৰা খেলুৱৈসকল ওলাই আহিছে। এহাতে বল আনহাতে খেলৰ সাজপাৰ পৰিহিত এদল কিশোৰক আঙুলিত ধৰি ধৰি খেলপথাৰৰ ভিতৰফালে প্ৰৱেশ। এয়া দুটা দল দুটা ভাগত ভাগ হৈ খেলপথাৰৰ একাষত শাৰীৰিক অনুশীলন। দুই-এজন খেলুৱৈক দেখা গ'ল বলটো লৈ ভিন্ন অনুশীলন। গুৰিয়াব, চুটিয়াব, বিভিন্ন ভংগী।



হেৰেঞ্জৰ চিন্তাত আউল লাগিল। মবাইলত পুৰণি খেল এখনৰ ৰেকৰ্ডিং বাজি থাকিল। যাঠিৰ উৰ্ধ্বৰ বাগানৰ লোক। চাহ বাগানীয়া। এসময়ৰ বিখ্যাত ফুটবল খেলুৱৈ। অঞ্চলটোৰ বিভিন্ন খেলৰ দললৈ 'হায়াৰ' কৰি নিয়ে। ধূলিসাৎ হোৱা বিপক্ষৰ বাবে 'ভেৰোণীয়া'। তেওঁ যি দলৰ হৈ খেলিব এটা পূৰ্ব ধাৰণা সোমাই গ'ল 'নিশ্চিত জয়' হ'বই। তেওঁ 'গোল' দিবই। চাৰি-পাঁচজনমানে ফিল্ডৰ মাজত তেওঁক 'গাৰ্ড' দিব। তাৰ মাজতো ফালি-চিৰি বলটো লৈ এনে চেকুৰ দিব গাৰ্ড বহুত পাছত থাকি যায়। বল আগুৱায়। হেৰেঞ্জৰ গতি আৰু বাঢ়ি যায়। 'গোল গোল' খেল পথাৰৰ চাৰিওফালে সমবায়ভিত্তিক চিঞৰ — গ'ল। ম'বাইলত খেল বাজি থাকিল। হেৰেঞ্জৰ দৌৰ আৰম্ভ হ'ল। খেল পথাৰলৈ নহয়, শৈশৱলৈ।

'ডিঙিটো সুমুৱাই দিছে। নহ'ব নহ'ব। '

'মই কাছ নেকি? কালি ঔগুৰিত খেলি আহিছোঁ। ৰাতিটোৰ ভিতৰতে ওখ হৈ গ'লোঁ নেকি? '

বাহঁৰ শলখা লগোৱা এটা ফ্ৰেম। যাৰ উচ্চতা চাৰে চাৰিফুট। তাৰ মাজৰে যি সৰকি যায় সিয়েই খেলিবৰ বাবে যোগ্যতা অৰ্জন কৰে। ইয়াত বয়স গৌণ, উচ্চতা মুখ্য। দেখিছাহে মুণিয়া, ব'হাগতে পৰা কঠীয়া। যুক্তি ইয়াত নেচেল। কিমান লম্বু ফ্ৰেমৰ ভিতৰত কুঁজা হৈ যায় সৰকিবলৈ। সেইটো এন্থনী — সি সদায় লেঙেৰা। এনে বিশেষ ভংগীত লেঙেৰিয়াই লেঙেৰিয়াই ফ্ৰেমটোৰ ভিতৰেদি সৰকি যাব বিপক্ষৰ খেলুৱৈৰ চিঞৰ-বাখৰ লাগিব- 'নহ'ব নহ'ব'।

ফ্ৰেমটো য'ত পুতি থোৱা থাকিব, জোখ-মাখৰ পূৰ্বেই সমিতিয়ে নেদেখাকৈ লম্বুসকলৰ সমৰ্থকে ভৰিৰ গোৰোহাৰে গুৰিয়াই গুৰিয়াই দ কৰি ৰাখিব। প্ৰতিবাদ কেতিয়াবা যদি অধিক হয় ফ্ৰেমটো উভালি নতুন জেগাত আকৌ পুতিব লগা

হয়। লগত থকা কাঠৰ স্কেলডালেৰে আকৌ জুখিব লগা হয়। সুদক্ষ তথা ওখ খেলুৱৈজন ফ্ৰেমৰ মাজেৰে সৰকিব নোৱাৰিলে আকৌ চিএঞ্ৰ বাখৰ লাগিব। 'গেজু, গেজু। এই কাঠৰ স্কেলপাত জোখৰ নহয় অলপ চুটি। সমিতিয়ে ইটো দলৰ হৈ ঘোচ খালে।'

জোখ-মাখৰ সময়ত হৈহাল্লা কৰিবৰ বাবে দুয়ো দলৰ খেলাৰ বাহিৰেও ধেৰ ল'ৰা যায়। শেষত সমিতিয়ে সিদ্ধান্ত লয় 'সমিতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত। জোখ-মাখৰ সময়ত সমিতিৰ মানুহৰ বাদে ওচৰত কোনো থাকিব নোৱাৰিব।'

পথাৰত গৰু চৰাবলৈ যায়। বৰটেঙাৰ কলি কেইটামান লৈ যায়। খাবলৈ নহয়। খেলিবলৈ। গৰু লোকৰ বাৰীত সোমাব। কঠীয়াতলিৰ জেওৰা ভাঙি কঠীয়া খাব। সিহঁতৰ খেল শেষ নহয়। টেঙাবল ফাটি যাব। লোকৰ বাৰীৰ পৰা আন এটা টেঙাবল চুৰ হ'ব। কঠিন টেঙাটো খেলোঁতে খেলোঁতে কোমল হ'ব। টেঙাবল খেলোঁতে খেলোঁতে হেৰেঞ্জৰ শৈশৱৰ নাম হৈছিল 'টেঙা'। টেঙা ফাটি যাব ভৰি একো নহ'ব। এক কথাত ভৰিৰ গাঁঠিবোৰ ইস্পাতৰ দৰে কঠিন হৈ পৰিছিল। খেলোঁতে ভৰিয়ে ভৰিয়ে খুন্দা খালে লগৰবোৰ কান্দি গৈছিল। সেই সুবাদতে তেওঁক সমনীয়াই মাতিছিল 'লোহাগুটি'।

তেজ, তেজ। কাটিলে কাটিলে।

খেলা বন্ধ হ'ল। হেৰেঞ্জৰ বাঁওভৰিৰপৰা তেজ ওলাইছে। চিএঞ্ৰ-বাখৰ লাগিল। খেতি কৰা পথাৰত হাল নাবাওঁতে খেল হয় বাৰিষাৰ দিনত। বোধহয় জেংজোং কিহবাই কাটিলে। মতিলালে পিন্ধি থকা গামোচাখনৰে এটুকুৰা ফালি হেৰেঞ্জৰ কটা আঙুলিটো বান্ধি দিলে। খেল আকৌ আৰম্ভ হ'ল। দুৰন্ত গতিত খেল চলি থাকিল। টেঙাটো যেনি যায় তাৰ পাছে পাছে সিহঁতৰ দৌৰ। মথুৰাই দেখিলে হেৰেঞ্জৰ ভৰিৰ পৰা আকৌ তেজ ওলাইছে। এইবাৰ খেল বন্ধ হ'ল। কচুপাতত পানী আনি কটা ভৰিটো ধোৱা হ'ল। ফটাকাণিৰ বান্ধটো খুলি দিয়া হ'ল। সেইটো আঙুলিত দেখা গ'ল কটা-ছিঙা একো নাই। তাৰ কাষৰটোতহে বোধহয় বাঁহৰ চেঁচুৰে কাটি থৈছে।

আজি কদমগুৰিত খেল। ফাইনেল খেল। টেঙা বল নহয়; চাৰি নম্বৰী ফুটবলৰ খেল। চাৰিটা বাঁহৰ খুটাত চন্দ্ৰতাপৰ দৰে কাপোৰ এখন তৰি থোৱা আছে। সেয়া আয়োজক সমিতিৰ অফিচ। বাঁহ এডালৰ আগত মাইক এটা বান্ধি ধনেশ্বৰে মাটিত আনটো মূৰ পুতি গান বজাই আছে। মাজে মাজে মাইকৰ মুখখন ইফালে-সিফালে ঘূৰাই থাকে। টেবুল এখনত সঁচা ফুলৰ মালা পিন্ধাই 'শ্বিল্ড' দুখন থোৱা আছে সজাই। এখন ডাঙৰ, এখন সৰু। কিনা নহয়। নৰোত্তমে ঘৰতে সজা। কাঠ মানে তক্তা এচলা ঘূৰণীয়াকৈ কাটি পাউদাৰ টেমা এটাৰ টিন বোৰ বিভিন্ন ধৰণে গজাল মাৰি কলাসন্মতভাৱে গঢ় দিছে।

ডাঙৰ দুখন পথাৰ এখন কৰি গঢ় দিছে ফিল্ড। মাজৰ আলিবোৰ কোৰেৰে কাটি সমান কৰা হৈছে। চাৰিসীমা কাটি লোৰৰ দৰে দাগ দিয়া হৈছে। তামোলৰ খুটাৰে গোলপোষ্ট। ওপৰৰ পথালিডাল বাঁহৰ। চাৰিটা চুকত বাঁহৰ খুটি আৰু খুটিত বান্ধি থোৱা আছে কাপোৰ। চাৰে চাৰি ফুটৰ জোখ-মাখ হৈ গ'ল। দুয়োটা গোলপোষ্টত

দুজনকৈ নিৰীক্ষক — গোল হৈছে নে নাই চাবৰ বাবে। মাজত 'ৰেফাৰি'। হুইছেল নাই। আঙুলি মুখত ভৰাই বিশেষ শব্দৰে খেলৰ সংকেত দিব। লোকে লোকাৰণ্য। হেৰেঞ্জৰ নিজা দল বৰগুৰি আৰু বিখ্যাত নাহৰবাৰী দলৰ মাজত খেল। খেল নহয় যুঁজ। ইজ্জতৰ যুঁজ। কিংবদন্তি হেৰেঞ্জ আৰু চাঞ্চল্যৰ সৃষ্টিকাৰী নাহৰবাৰী দলৰ মাজত।

খেল চলি আছে। হেৰেঞ্জে কোনোমতে সুবিধা উলিয়াব পৰা নাই। তাৰ 'চট'বিলাক গোলপোষ্টৰ তামোলৰ খুটাত লাগি উভতি আহিছে। গোল নহয়হে নহয়। সিহঁতৰ সমৰ্থকে বিপৰীত দলে জলকীয়া পুতিব বুলি ভাবি কৌশলেৰে গোল পোষ্টৰ কাষত পেচাবো কৰি আহিছিল। নাই। কামত নাহেহে নাহে। হাফ টাইম হ'ল। দ্ৰ। জয় পৰাজয় নাই।

গোলপোষ্টৰ পাছৰ ফালে ছাতি এটা লৈ বুঢ়া এজনে বহি খেল চাই আছে। এতিয়াহে ওলাল উৰহী গছৰ ওৰ। তেওঁ গোলকীপাৰ অৰ্থাৎ গোল্কিৰ মোমায়েক। বিখ্যাত ঘূৰণ বেজ। বেজ বহি থকালৈকে ক'ত হেৰেঞ্জে গোল দিব পাৰিব! কি কৰা যায়। উপায় ওলাল। হেৰেঞ্জৰ দলৰ বয়সস্থ কেইজনমান গ'ল।

'আতৈ আপুনি বয়স্ক লোক। এনেদৰে মাটিত বহি থাকিলে আমাৰ বেয়া লাগে দিয়কচোন। আহক কাৰ্যালয়ত চকীতে বহি খেল চাব। তামোলৰ ব্যৱস্থাও কৰা হৈছে।'

অৱশেষত পাচঁ মিনিটমান বাকী থাকোঁতে হেৰেঞ্জে প্ৰবল প্ৰতাপেৰে তেখেতৰ বিখ্যাত বাঁও ভৰিৰ যাদুৰে এটা গোল দিলে। চাৰিওফালে চিঞৰ-বাখৰ হৈ-চৈ লাগিল। দৰ্শক ফিল্ডৰ ভিতৰলৈ



কেইবাজনো সোমাই আহি হেৰেঞ্জক সাবটি ধৰিলে। কুকুৰ এটাই ছাগলী খেদি আনিলত দুয়োটা খেলপথাৰৰ মাজত সোমাল।

খেল বন্ধ। প্ৰটেষ্ট।

পৰাজয় স্বীকাৰ নকৰি প্ৰতিবাদত নামিল।

'আমি নেখেলোঁ। ফিল্ডত কুকুৰ আৰু ছাগলী কিয় সোমাব। দ্বিতীয়তে আমি গোল খালোঁ কথা নাই; বাহিৰৰ মানুহ কিয় ভিতৰত সোমাব।'

মুখৰ যুদ্ধ ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰিলে। পৰাজিত দলে গম পালে শেষৰ পাঁচ মিনিটত তেওঁলোকে গোল দিব নোৱাৰে। গতিকে তৰ্ক-বিতৰ্ক হতাহতিলৈ পৰিবৰ্তন কৰালে। খেলুৱৈৰ মাজত খেলপথাৰৰ ভিতৰত আৰু সমৰ্থকৰ মাজত বাহিৰত। কোনেও কাৰো কথা নুশুনে। বেলি ডুবু ডুবু। খেলৰ বাবে পোহৰ কমি আহিল।

'নিলে নিলে ঐ নিলে'।

চিঞৰ-বাখৰৰ মাজতে ৰাতিয়া আৰু মতিউৰে শ্বিল্ড দুখন লৈ দৌৰি আন্ধাৰত বিলীন হ'ল। সিদ্ধান্ত একো নহ'ল। সমিতিয়ে মাইকত ঘোষণা কৰিলে কালিলৈ দুয়োটা দলকে জনোৱা হ'ব কি পদক্ষেপ পৰবৰ্তী সময়ত ল'ব।

ম'বাইলত খেলৰ ভিডিঅ' বাজি থাকিল। হেৰেঞ্জ স্মৃতি গহ্বৰত সোমাই ঘূলুকি থাকিল বহা চকীখনতে বহি।❑

# প্ৰতীক্ষাত এচাটি শুকুলা পোহৰ

✍ ৰূপজ্যোতি গগৈ, বৰকাঠনি চাহবাগিচা, গোলাঘাট

বিছনাখনত হেলান দি পৰি আছে তাই। অলসভাৱে, উদাস চাৱনিৰে। ভৰিটো বৈ বৈ বিষায়েই আছে। কিন্তু দেহৰ বিষতকৈ মনৰ বিষটো যেন বাঢ়ি আহিছে, নিৰন্তৰে। নিজৰ মনটো, শৰীৰটো ভাবিব নোৱাৰা, দাঙিব নোৱৰা বোজা হৈ ধৰা দিছে নিজৰ মাজতে। তাই চাই চাই, ভাবি ভাবি পাৰ নাপায়। ঠিক যেন নদীৰ পাৰৰ পাৰাপাৰহীন সৰিয়হডৰা।

সৰিয়হ! ক'ত নদীৰ পাৰত জিলমিলাই থকা সৰিয়হ আৰু ক'ত বিষে-জ্বৰে কোঙা কৰা তাই- নিজৰ মাজতে হাঁহি এটা বিৰিঙি উঠিল তাইৰ। এৰা, এইখন বিছনাৰ পৰিৱৰ্তে তাইৰ এখন শীতল বিছনাতহে শুবলৈ মন, যি বিছনাত ৰোগ, শোক বিষাদ বেদনা একো নাথাকে। নাথাকে মান-অভিমান, ঘাট-প্ৰতিঘাট, হিংসা-প্ৰতিহিংসা। পৰিৱৰ্তে থাকে শান্তি, এক সমাহিত শীতল প্ৰশান্তি! কিন্তু, ই জানো ইমান সহজ!

মা, মা, মা!

কাষৰ বিছনাখনত শুই থকা ল'ৰাটোৰ মাতটো ৰিণি ৰিণি কাণত পৰিল তাইৰ। মাতিছে নেকি, মাতিছে নেকি সি? মূৰটো ঘূৰাই তাই চালে। নাই, সি টোপনিত লালকাল। হয়তো ভাগৰত অৱশ হৈ জিৰণি লৈছে সি! পুৱাৰ পৰা কেৱল তাৰ ভৰসাতে চলি থাকে গোটেই ঘৰ।

ঃ মা, ব্ৰাছ কৰা। টুথপেষ্ট অকণ ব্ৰাছডালত লগাই আৰম্ভ কৰে সি তাৰ কৰ্মসূচী।

ঃ মা, চাহ। মা...।

এই সকলো ঠিকেই। কিন্তু, এই যে পুৱাৰ নিত্যকৰ্মভাগ... বৰ কষ্ট, বৰ অসহায় লাগে তাইৰ। মানুহটো, এৰা, মানুহটো কাষত থকা হ'লে সি নিশ্চয় ইমান গধুৰ বোজা নল'লেও হ'ল হয়! কিন্তু তাৰেই ফুটা কপাল নে তাইৰ অসহায়তা, শেষ সীমাত কোন তাই নে তাইৰ ল'ৰাটো? হয়তো দুয়োটা, হয়তো এটাও নহয়! এতিয়া কলথোকাত ঢোকাটো নে ঢোকাত কলথোকা — বুজা-নুবুজাৰ এক সাঁথৰ! সোঁৱৰণিৰ জালখন তাই গুঠি থাকে, মাথোঁ গুঠি থাকে। দূৰ আকাশত নিশাৰ নিৰ্জনতা ভেদি কেতেকী এজনীয়ে বৈ বৈ বিনাই থাকে। মাথোঁ বিনাই থাকে।

মেট্ৰিক পৰীক্ষা শেষ কৰি তাই কেইবাদিনো মোমায়েকৰ ঘৰৰ আলহী হৈছিল। তেতিয়াই কোনোবা এটা ব'হাগৰ দুপৰীয়া তাই

চিনাকি হৈছিল বিনয়ৰ সৈতে। তাই মেট্ৰিক পাছ কৰি পঢ়িম বুলি ভাবি থকা কলেজখনত পঢ়ি থকা নিচায়েকৰ পুতেক অমলৰ বন্ধু বিনয়।

প্ৰথম চিনাকিতে তাইৰ বিনয়ক কিবা এটা ভাল লাগিছিল। হয়তো তাৰো। সিহঁতৰ কুঁহিয়ানি, চাহবাগান আদি বিনয়ক দেখুৱাবলৈ নিওঁতে তাইকো লগ লৈছিল অমলে। ব'হাগৰ প্ৰথমজাক বৰষুণৰ পাছত জাকি মাৰি ওলোৱা চাহগছৰ কোমল সেউজীয়াবোৰ, বাসন্তী মৰমত ঠন ধৰি উঠা মূড়া কুঁহিয়াৰবোৰ এইবোৰৰ হেঁপাহত ন-কৈ যেন কোঁহ মেলি উঠিছিল আন দুহাল চকু, এযুৰি বুকু...! কিবা এক নাম নজনা আৱেশত তাই পমি গৈছিল। মহাবিদ্যালয়ৰ দিনবোৰত সেই কোঁহ ঠন ধৰি গছ হৈছিল আৰু এখন বুকুৰপৰা আন এখন বুকুলৈ বাগৰি গৈছিল।

মহাবিদ্যালয়ৰ শেষ সময়ত সেই উত্তাপ ইমানেই তীব্ৰ হ'ল যে কাৰো হকা-বধালৈ বাট নাচাই তাই স্নাতক চূড়ান্ত পৰীক্ষাত নবহাকৈয়ে উৰণীয়া পখীৰ দৰে উৰি আহি তাৰ ঘৰ সোমালহি আৰু সিয়ো ঠেং-ঠুঙ মেলি তাইক আদৰি আনি ঘৰ পাতি বহিল। দেউতাকে পাতি দিয়া চাহ বাগিচাখনকে সাহ কৰি দুয়োটাই পঢ়া-শুনা ইতি পেলাই ঘৰ-ঘৈণী হৈ জীৱনৰ নৱৰসত মাতাল হ'ল। কি ৰসাল, ফুলাম আছিল সেই সময়! অহৰহ মৰমেৰে উপচাই ৰখা সেই মানুহটোৱেই আজি তাইৰ ল'ৰাৰ দেউতাক। সেই যে ৰাতিৰ ৰাতিটো তাই নদী হোৱা, বাৰে বাৰে অৱগাহন কৰি ক্ষুধা পূৰ নোহোৱা মানুহটোৰ কথাবোৰ মনত পৰিলে আজিকালি যিমান সুখানুভৱ আহে সিমানই তীব্ৰ বেগত এটা বিছাই দংশন কৰে তাইৰ সমগ্ৰত। সঁচাকৈ, ভোক কিমান তীব্ৰ হ'লে মানুহে পাহৰি পেলাই আত্মীয়-স্বজন, পাহৰি যায় অপত্য স্নেহ! তাই নুবুজে। এতিয়া আৰু বুজিবলৈ প্ৰয়াস নকৰে।

বাতৰি কাকতত সিদিনা পঢ়িলে - 'বহিঃৰাজ্যৰত কৰ্মৰত মানুহটোৰ মানুহজনীয়ে চাৰিটাকৈ এমা-ডিমা ল'ৰা-ছোৱালী অকলে এৰি থৈ আন এটা পুৰুষলৈ পলাই গৈছে।' আৰু শুনিলে- নিজৰ অবৈধ প্ৰেমিকৰ সৈতে মিলনত বাধা হোৱা বাবেই এগৰাকী মাতৃয়ে নিজৰেই সন্তানক প্ৰেমিকৰ সহযোগত হত্যা কৰি ট্ৰলীবেগত ভৰাই হাবিত পেলাই দিলে।'

থুই! থুই! থুই! মাতৃ নামত কলংক! ইমান ভোক! ইমান খক...! ক'ত থাকে? দেহত? নে বুকুত? নে...নাই, তাই ভাবিব নোৱাৰে।

দহ বছৰ আগৰ এটা জটিল সন্ধিক্ষণত তাইৰ জৰায়ুটো দেহৰ পৰা বিচ্ছিন্ন কৰিছে। আৰু তাৰ পৰাই, হয়তো তাৰ পৰাই তাই লাহে লাহে শূন্য হৈ পৰিল নিজৰ অজানিতে।

আক্ষেপ নাছিল তাইৰ। ল'ৰাটো, হেঁপাহৰ মৌকণ তাইৰ সাহস, তাইৰ প্ৰেৰণা। তাৰ পঢ়া-শুনা, তাৰ স্কুল তাৰ ভৱিষ্যতক লৈয়ে যত জল্পনা-কল্পনা। তাৰমাজতে চাহ বাগিচাখন তাইৰ সম্বল, তাইৰ জীৱন, তাইৰ জীৱিকা।

কিন্তু, বিশ্বত্ৰাসিত অতিমাৰীৰ কৰুণ কাতৰতাত জৰ্জৰিত এই সময়ে তাইকো যেন দগ্ধ কৰি গ'ল, নজনাকৈয়ে! কি ভাবি ভাবি জানো তাই পুখুৰীৰ দলংখনত বহি চাউল ধুই

আছিল! এইটো তাইৰ পুৰণি বিলাস। আবেলি বা পুৱাবেলা তাই চাউলৰ খৰাহিটো লৈ পুখুৰীলৈ যায়।

পুখুৰীৰ দলঙত বহি চাউলৰ খৰাহিটো যেতিয়া পানীত মেলি দিয়ে জাকি মাৰি এজাক মিছামাছ তাইৰ কাষলৈ উবুৰি খাই আহে। তাই খৰাহিৰ চাউল দুটামান দলংখনত এনেয়ে সিঁচি দিয়ে। মাছবোৰৰ বাঢ়ি আহে। মিছাৰ পৰা ডঁৰিকণা, ডঁৰিকণাৰ পৰা পুঠি, ছন্দা, খলিহনা...। সিহঁতৰ নাচ চাই তাই ভাবত বিভোৰ হয়।

সেইদিনাও আবেলি চাউলৰ খৰাহি লৈ তাইৰ মৎস্য অৱগাহনত। এনেয়েও কাম-বন নথকা লকডাউনৰ সময়। ভাবত বিভোৰ তাইৰ খিয়াল নাই দলঙৰ কি ৰূপ! হঠাতে যে খৰাহিৰে সৈতে তাই হামখুৰি খালে কাক চিঞৰিলে একোৱেই নাজানিলে। হাস্পতালৰ বিছনাত যেতিয়া তাই নিজক উদ্ধাৰ কৰে তেতিয়াহে জানিব পাৰিছে, তাইৰ ভৰি এখন ভাগিছে। অপাৰেচনৰ প্ৰয়োজন।

চাৰিদিন হাস্পতালত থকাৰ পাছত তাই ঘৰলৈ আহে। কেনেকৈ জানো খবৰ পাই এদিনৰ বাবে বিনয় আহে! ২৪ ঘণ্টাৰ ভিতৰত ঘূৰি গৈ পাবগৈ লাগে! ল'ৰাটোক ইটো-সিটো দিহা দি সি যায়গৈ। তাই একো নক'লে। তাই জানে ক'বলগীয়া কথাবোৰ ইতিমধ্যে শেষ হৈছে। ক্ৰমাৎ কলপুলি এটাৰ দৰে বাঢ়ি অহা ল'ৰাটোলৈ চাই তাইৰ কেতিয়াবা কেতিয়াবা ভয়হে লাগে! সি যদি দেউতাকৰ কথাবোৰ গম পাই যায়! অতদিনে কাম কাম বুলি ফুচুলাই থকা, বিহুৱে-পূজাই টকা, উপহাৰেৰে উপচাই ৰাখিব বিচৰা ল'ৰাটোৱে যদি সকলো কথা জানি যায়, কি কৰিব তাই!

বন্যা! দূৰ সম্পৰ্কীয় মাহীয়েকৰ জীয়েক তাইৰ। সম্পৰ্কত দূৰৰ হ'লেও কিমান আপোন মৰমৰ ভনীয়েক আছিল তাইৰ। বিয়াৰ মাত্ৰ পাঁচ বছৰতে স্বামীহাৰা হোৱা বন্যা সকলোৰে মৰম-সহানুভূতিৰ পাত্ৰ আছিল। কণমানি কেঁচুৱাটোৰ সৈতে কষ্ট হৈছে বুলিয়েই তাইৰ ঘৰতো কিছুদিন মৰমেৰে ৰাখিছিল তাই বন্যাক। কিন্তু, তাই যেন তাতেই ভুলটো কৰিলে। যি ভুলে পানীৰ তলৰ কাঁইট হৈ তাইকে বিন্ধি আছে আজি অহৰহ। আচলতে সেই সময়ত তাইৰ মনত বিশ্বাসৰ জৰীডাল ইমান নিকপকপীয়াকৈ বন্ধা আছিল যে ইমান সহজতে কোনোবাই ছিঙিব পাৰিব বুলি তাই কোনোদিনে ভাবিয়েই নাপালে। বঙহৰ তেজেৰেই যে বঙহে ফাকু খেলিব পাৰে ইতিহাসৰ পাতবোৰ বহু দেৰিকৈহে তাই লুটিয়াব পাৰিলে!

কামৰ সন্ধানত মহানগৰলৈ বুলি ঢাপলি মেলা বিনয়ৰ লগতে কেতিয়াবা বন্যা আহে। কাৰণ, মহানগৰীৰ পৰা অহা ৰাস্তাতে বন্যাৰ ঘৰটো পৰে।

সেইবাৰো বিনয়ৰ লগতে বন্যা আহিছিল। বন্যাৰ কণমাণিটো, সিহঁতৰ মৌকণ — সকলো মিলি বেছ আনন্দৰেই পাৰ হৈছিল সময়বোৰ। কিন্তু, সেইদিনা ৰাতি কিয়জানো সাৰ পাই গৈছিল তাই! চকু নেমেলাকৈয়ে হাতেৰে খেপিয়াই চাইছিল তাই। মৌকণ তাইৰ গাত ভৰি এটা তুলি সদায়ৰ দৰে টোপনিত লালকাল। তাক দেই থৈ হাতখন পাৰ হৈ গৈছিল — উকা। কিন্তু...! চকু দুটা মেলি কাণ উনালে বাহিৰলৈ যাব পাৰে! ৰিণি ৰিণি বৈ অহা কিবা এক চিনাকি

অথচ চেপা শব্দৰ অনুকৰণত তাই নিঃশব্দে বিছনাৰপৰা নামিল। হয়, আলহী থকা কোঠাৰপৰাই ভাহি আহিছে নাৰী-পুৰুষৰ অস্ফুট গেঙনি আৰু উত্তেজনাৰ চেপা মাত। কি কৰিব কি নকৰিব ভাবি তাই লাহেকৈ কোঠাটোৰ দৰ্জাখন ঠেলি চালে। নাই, ভিতৰৰপৰাই দৰ্জাৰ হুক লগাই থোৱা আছে।

এখোজ-দুখোজকৈ কম্পিত ভৰিৰে তাই পুনৰ বিছনালৈ ঘূৰি আহিল আৰু মৰা কাঠ এচটাৰ দৰে বিছনাত পৰি থাকিল।

পুৱালৈ তাই খৰধৰকৈ মাকৰ ঘৰলৈ যাবলৈ ওলাল। মাকে মাতিছে। এদিনলৈ বুলি যোৱা তাই মাকৰ ঘৰতে থাকিল দুদিন-তিনিদিন। বিনয়ে ফোন কৰিলে - 'জৰুৰীভাৱে অফিচলৈ মাতিছে। তোমাক লৈ আহোঁগৈ?'

ঃ 'নালাগে, মই ভাইটিৰ লগত গৈ আছোঁ। তুমি যোৱাগৈ।'

ঘৰলৈ আহি গম পাইছিল, তাই যোৱা পাছদিনাই বন্যাও নিজৰ ঘৰলৈ ঘূৰি গৈছিল।

তাৰ পাছত বহুতো সময় পাৰ হৈ গ'ল। বন্যা অহা নাই এই ঘৰলৈ। তাইৰ চাকৰি হৈছে। গিৰিয়েকে কৰি যোৱা কোম্পানীটোৰ হেড অফিচত কম্পিউটাৰ সহায়িকা হিচাপে তাইক অনুকম্পামূলকভাৱে নিয়োগ কৰিছে। এতিয়া, কণমানিটোক লৈ তাই মহানগৰীৰ বাসিন্দা।

বিনয়ৰো আজিকালি সময়ৰ বৰ টনাটনি। কোম্পানীৰ বহুকেইটা দায়িত্ব পালন কৰিব লাগে। তাৰ মাজতে কোম্পানীৰ কামত উজনিলৈ আহিলে এপাক সোমায়। আহিলেও আলহীৰ দৰেই আঁতৰে আঁতৰে। ক্রমে ডাঙৰ হৈ অহা মৌকণে আজিকালি আগৰ দৰে দেউতাকক আব্দাৰ নকৰে।

ই লাগে, সি লাগে বিচাৰি পেনপেনায়ো নাথাকে। হয়তো সি নিজৰ সৈতে জীৱন জীৱলৈ প্ৰয়াস কৰিছে!

আজিকালি প্ৰায়ে এটা অচিন ভয়ে তাইক ৰেপি থাকে। তাই শুনা কথাবোৰ মৌকণেও শুনিছে নেকি বাৰু? কলেজত পঢ়ি থকা ল'ৰাটোৱে নক'লেও হয়তো আজিকালি বহু কথাই বুজি পায়! কিন্তু, কি কৰিব তাই?

নহয়, এনে নিশ্চয় নহয়। তাই নিজেই নিজৰ ভিতৰতে এটা সিদ্ধান্ত লোৱাৰ সময় হয়তো সমাগত। এই যে তাইৰ ইমান বিপদত, দুৰ্যোগৰ সময়ত এপলক তাইৰ লগত ৰ'বলৈ সময় নোহোৱা মানুহজন এতিয়া জানো তাইৰ আপোন হৈ আছে? কপালত ৰঙা বেলি সজাই সধবা বুলি পৰিচয় দিবলৈ এতিয়া জানো তাইৰ কিবা যুক্তি আছে? আজি তাই আৰু মৌকণৰ যি সংগ্ৰাম, সেই সংগ্ৰামৰ সহযাত্ৰী হয় জানো বিনয়? নিশ্চয় নহয়। হাতত কেৱল পইচাৰ টোপোলা এটা গুঁজি দিয়াই এজন পতি, এজন পিতাৰ দায়িত্ব শেষ নেকি?

নিজক কুৰুকি কুৰুকি তাই সজাগ হৈছে। ভৰিটো ভাল হৈ এইবাৰ মাটিত খোজ দিব পাৰিলেই তাই এটা নতুন কাম কৰিব। আবেলিৰ আকাশত বিলীন হ'ব ধৰা বেলিটো তাই কিছু আগতেই মোহাৰি এটা নতুন বেলি আঁকিব। এটা শুকুলা বেলি। শান্তি আৰু প্ৰশান্তিৰ উজ্জ্বল শুকুলা বেলিয়ে পোহৰাই তুলিব তাইৰ স্বপ্নিল আকাশ! ❑



# কঁপি উঠা ৰামধেনু

মুন ৰাজবংশী, নলবাৰী হাঁহদলী

ৰংমনৰ নামটো শুনি ৰমা জকি উঠিল!

ঃ সেইদালৰ নাম মোৰ আগত নল'বি দেই কৈ দিছোঁ। দেখিবলৈ মন নাযায়। মোৰ মন থকা হ'লে কোন কাহানিবাই মা-দেউতাই তাৰ লগত বিয়া দি দিলেহেঁতেন নাজানা নেকি?

ঃ নাজানো পাই, ৰংমনৰ দৰে ল'ৰা এটাকো তই কিয় বেয়া পাৱ! পিছে এইটোক তোৰ ভাল লাগিবও পাৰে! ওলাবিচোন আজি সেইফালে যাম।

তেনেতে দূৰৈত কাৰোবাৰ চিঞৰ শুনি ৰমাই শহাৰ দৰে কাণ থিয় কৰি শুনিবলৈ লোৱাত চিঞৰটোত এসোপামান গালি-গালাজ উফৰি আহি তাইৰ কাণত সোমাল।

ঃ দংদংকৈ ইমান ডাঙৰ ছোৱালী ঘৰত থাকোঁতেই গোটেই ঘৰৰ কামবোৰ মই কৰিব লাগিলে মুখখন খোল খাবই। ভাত খাব আৰু ওলাব। দিনৰ দিনটো গা ঘেলাই অলৌ-তলৌ কৰি ঘূৰি ফুৰিব। অ' তাইৰ বয়সত মই দুজনী ছোৱালীৰ মাক হৈ ঘৰ ধৰি খাইছিলোঁ। খালে খালে, এই বাপেকডালেই তাইক লাই দি দি তাইৰ মূৰতো খালে...! পঢ়া-শুনাততো নায়েই, এইজনীক কাৰোবালৈ বিয়া দিলেও এমাহৰ পাছতে শহুৰৰ ঘৰৰ মানুহে তাইক ঘৰত গতাই দি যাবহি। আজি মই কৈ থলোঁ এই কথা চাই থাকক।

কৰ চুককেইটা তাকো নজনা মাকে আজি তাইৰ ভৱিষ্যতৰ কথা লিখিলে সেয়া তাই কথাযাৰৰ উমান নাপালেও কপালৰ গাঁঠি কোঁচ খুৱাই ৰমাহঁতৰ চোতালৰ পৰা ঘৰলৈ বুলি বাট পোনালে। মাকে পঢ়াৰ কথা ক'লেই তাইৰ মূৰ


বেয়া হৈ যায়। মেট্ৰিক ফেইল হ'লেই যেনিবা তাই; আৰু পৰীক্ষাত পাছ কৰা কেইজনীয়েনো পঢ়িবলৈ গৈছে চহৰৰ কলেজত ? তাতে আকৌ মাকেনো নিজেও কিমান পঢ়া ? এইযে ভিনদেউকৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাৰ পাছৰে পৰা তাইক মাকে পঢ়াক লৈ বহুত বেছি গালি-গালাজ দিবলৈ ধৰা হৈছে।

ৰমাই তিনিবাৰকৈ মেট্ৰিক দি পাছ কৰিব নোৱাৰাৰ পাছত শহুৰ-শাহু আৰু ৰমাৰ আগত ভিনিয়েকে কৈছিল তেওঁলোকৰ ফালে হেনো ভাল মেট্ৰিক চেণ্টাৰ এটা আছে; আখৰ চিনি নোপোৱা ল'ৰা-ছোৱালীয়েও পাছ কৰি যায় তাত। গতিকে তাতো এবাৰ ভুমুক মাৰি চাব পাৰে! ভিনিয়েকৰ কথা শুনি ৰমাই পোনে পোনে পাকঘৰলৈ গৈ জুহালত জুই ধৰিলেগৈ। তাৰ পাছত তাই মুখেৰে ভোৰভোৰাবলৈ ধৰিলে। এই মাকবোৰকনো কোন ঈশ্বৰে সৃজিছিলে; আমাৰ দৰে সন্তানবোৰক অলপো যে শান্তিত থাকিবলৈ নিদিয়ে।

আবেলি মেনকাৰ লগত ৰমাই সিহঁতৰ ঘৰলৈ বুলি গৈছিল। তাৰ পাছৰ সময়খিনি যেন দীঘল হৈ পৰিল। মেনকাৰ ঘৰৰপৰা আহি অলপ সময় নিজৰ কোঠাত সোমাই স্কুলৰ দিনৰ পুৰণি কিতাপ দুখনমান লিৰিকি-বিদাৰি থাকি তাৰ পাছতে তাই গোটেই ঘৰখন সুন্দৰকৈ চাফা কৰিলে, তাৰ পাছত চোতালখন, গোহালি ঘৰটোত জাক দি থৈ আহি আগচোতালত মেলি দি শুকুৱাবলৈ দিয়া খৰিবোৰ নি ধোৱাচাঙত নিয়াৰিকৈ থলেগৈ। ৰমাৰ কাণ্ডবোৰ মাকে আলেঙে আলেঙে চাই আছিল। আগতকৈ আজি অলপ তাইৰ মতি গতি সলনি হোৱা দেখি মনত কিছু আনন্দ পোৱাৰ লগতে মনলৈ শান্তিও ঘূৰি অহা যেন পালে। লাগিবৰে কথা! তাইক লৈ তেওঁলোকে কম চিন্তা কৰেনে; দেখাই-শুনাই তাই গাঁৱৰ ছোৱালীবোৰৰ ভিতৰতে লেখত ল'বলগীয়া। সিফালৰপৰা মাকে ৰমাক লক্ষ্য কৰি আছে যদিও ইফালে ৰমাৰ মনত ফাগুনৰ এজাক নিলাজ বতাহজাকৰ দৰে অচিন বতাহ এজাকে ঘুকুটিয়াই ফুৰিছে। ৰমাৰ ভাষাত ক'বলৈ গ'লে তাইৰ মনটো এতিয়া মাটিত পেলাই দিলে জঁপিয়াই ফুৰা চেঙেলী মাছটোৰ দৰে হৈ আছে। ভিতৰি ভিতৰি তাই অলপো শান্তিত থাকিব পৰা নাই। বাৰে বাৰে মেনকাৰ ঘৰত কালি চিনাকি হোৱা সেই সুঠাম দীপ্ত চেহেৰাৰ ডেকাজনৰ কাষলৈ উৰি গৈছে মনটো। কি যে সুন্দৰ ব্যক্তিত্বৰ ডেকা। সিহঁতৰ চহৰত চাকৰি কৰি থকা ককায়েকৰ বন্ধু বোলে তেওঁ! খুব ধুনীয়া গান গায়। কালি মেনকাৰ লগত সিহঁতৰ ঘৰলৈ যাওঁতেই মেনকাৰ ঘৰতেই এখন গানৰ মজলিচ বহি আছিল। মেনকা আৰু ডেকাজনে দ্বৈত কণ্ঠত গান গায় আছিল। তাৰ কাষতে ককায়েকে গীটাৰ বজাই আছিল। মেনকাইয়ো বৰ ভাল কণ্ঠদান কৰে। গোটেই ৰাতিটো ৰমাই অশান্তিত কটালে। পিছদিনাও ৰমাৰ মনৰ অৱস্থা একেই থাকিল। ডেকাজনে চাগে তাইক পচন্দ কৰিছে। কাৰণ গান গায় থাকোঁতে তেওঁ বাৰেবাৰে তাইৰ চকুলৈ চাইছিল। কেইবাবাৰো তাইৰ চকুত চকু থৈ গাইছিল। তাই যিমান ধুনীয়া তাইক নোচোৱাকৈ কোন ল'ৰা থাকিব পাৰেনো; ৰংমন বোলাটো সেইবাবেইতো তাইৰ বাবে পগলা। তাই তাৰ লগত বিয়াত নবহোঁ বুলি কওঁতে এদিন

সি বাটত তাইক আগভেটি ধৰি কৈছিল, তোৰ বাবে মই বাট চাম ৰমা। মই জানো তই সলনি হ'বিয়েই! মোৰ ভালপোৱাই তোক সলনি কৰি দিব আৰু এদিন এই ভালপোৱাই তোক মোৰ কাষলৈ লৈ আহিব। বাধ্য কৰাব।

মই সেই দিনটোলৈ বাট চাম। ৰংমনৰ কথা মনত পৰাত ৰমাৰ মনটো তিতা-কেঁহা লাগি গ'ল। তাই আলহী ডেকাজনৰ কাষৰ পৰা গুচি আহিল। ক'ৰ সেই চহৰত চাকৰি কৰি থকা সুঠাম ডেকাজন আৰু এই গাঁৱৰ জধলা ৰংমন; নাই, নাই; সিহঁত দুটাৰ মাজত আকাশ-পাতালৰ প্ৰভেদ আছে। ৰংমনৰ কিন্তু দিনক দিনে জেদ বাঢ়ি গ'ল। কোনোদিনে কোনো কথাত খং নকৰা ৰংমনে এতিয়া অনবৰতে খং কৰি গোমোঠা মাৰি থকা হ'ল। চকু দুটা অনবৰতে ৰঙা পৰাৰ নিচিনা হৈ থাকে ওঁঠ দুটি কাৰোবাক কিবা কোৰাৰ



ভাবত কঁপি উঠে। মাটি হেন ৰংমন আজি হঠাৎ তাৰ গাত বাপেকৰ লক্ষণবোৰ দেখা পোৱা গ'ল। কিবা লাগিলে সি প্ৰথমতে হুলস্থূল লগাই দিয়ে। তাৰ পাছতো কাম নিসিজিলে মুখেৰে নমতা হয় মুখ ফুলাই কোঠাৰ ভিতৰত সোমাই থকা হ'ল। ৰংমনৰ এই ৰূপ ৰমাই সহ্য কৰিব নোৱাৰা হ'ল। অনবৰতে স্ফূৰ্তিবাজ ল'ৰাটোৰ মুখত হাঁহি নেদেখি ৰমাৰ তাক লৈ চিন্তা বাঢ়ি আহিল। তাৰ মুখত হাঁহি আনন্দ দেখাৰ বাবে কিমান কি কৰিলে। কিন্তু তাৰ একো ফল নধৰিলে। তাই ভাবি পাৰ নোপোৱা হ'ল। এনে কি কাম কৰিলে তাৰ মুখত হাঁহি দেখিব। তাৰ মনত আনন্দ নধৰা হ'ব। তাৰ বাবে ৰমাই যৎপৰোনাস্তি চেষ্টা চলালে। ❑

।। অনুগল্প।।

# অব্যক্ত

✍ মাকনি গোস্বামী, আজাৰা গুৱাহাটী

আজি বৰ্ণাৰ জন্ম দিন আছিল তোমাৰটো। মনত আছে। বহুত খুৱালে পনীৰখন যে আহ তুমি বনোৱা যেন হৈছিল। তাইৰ মোমায়েকে বিয়া পাতিলে নহয় মামীয়েকজনী বেছ মৰম লগা। আচৰিত কি জানা চকুৰ কাষত তিল এটা আছে ঠিক তোমাৰ দৰে। অকণমান তোমাৰ তিলটোত কৈ ডাঙৰ হ'বচাগৈ? ৰ'বাচোন চাই লওঁ তোমাৰ তিলটো কিমান ডাঙৰ আছিল? কেইখোজ মান পিচুৱাই বেৰত চাৰি ফ্ৰেমৰ আবদ্ধ ফটো খনলৈ অপলক নেত্ৰেৰে চাই ৰ'ল বহুসময়। নাইচোন একোৰে ধৰিব নোৱাৰি তিলটো কিমান ডাঙৰ আছিল বাৰু? ❑

## ধাৰাবাহিক উপন্যাস।

(ফেব্ৰুৱাৰী সংখ্যাৰ পিছৰ পৰা...)



# দুঃস্বপ্ন (খণ্ড ১৪)

বহ্নিমান কাশ্যপ

কাজিৰঙা অঞ্চলত সোমাওঁতে সিহঁতে ভবাৰ দৰেই সন্ধিয়া লাগিবৰ হ'ল। পোনে পোনে সিহঁতৰ গাড়ীখন ৰিজৰ্ট পালেগৈ। গাড়ীৰ ড্ৰাইভাৰক ঠানঠিত লগাই নিজৰ কোঠাটো পাওঁতে ৰূপমৰ খুব ভাগৰ লাগিছিল। নিয়ৰক বাহিৰৰ বেলকনিত বহি ফোনত কাৰোবাৰ লগত কথা পাতি থকা দেখি তাইক ইংগিতেৰে দুকাপ গাখীৰৰ চাহ অৰ্ডাৰ দিবলৈ কৈ ৱাছৰূমত সোমাল। সি ভাবিছিল, মাত্ৰ হাত-ভৰি ধুই ফ্ৰেচ হ'ব। কিন্তু ৱাচৰূমত সোমাই গা ধোৱাৰহে সিদ্ধান্ত ল'লে। গৰম পানীৰে গাটো ধুই সঁচাকৈয়ে তাৰ খুব সতেজ অনুভৱ হ'ল। যাত্ৰাৰ ভাগৰ আৰু নিয়ৰৰ মানসিক স্থিতিৰ চিন্তাই তাক বৰকৈ কাবু কৰি ৰাখিছিল। এতিয়া যে যেন বহুখিনি পাতল অনুভৱ কৰিলে।

অত্যাধুনিক সা-সুবিধা থকা গা ধোৱা ঘৰটোত ফ্ৰেচ হৈ ৰূপমৰ মন ভৰি পৰিল। 'বৰগছ' নামৰ এই ৰিজৰ্টখনত জিমনেজিয়াম, স্পা, মাছাজ আৰু অন্যান্য সুবিধাও আছে। বহুবছৰৰ আগতে সহকৰ্মী এজনৰ লগত সি ইয়াত এখন বিয়া খাবলৈ আহিছিল। ইয়াত বিয়া আৰু অন্যান্য পাৰ্টীসমূহো অনুষ্ঠিত হয়। মাননিসমূহো ভাল, লগতে ইয়াৰ ছাৰ্ভিচো যথেষ্ট উন্নতমানৰ। ৰূপমৰ তেতিয়াৰ স্মৃতি এতিয়াও সজীৱ হৈ আছে।

'হেল্ল', চাহ দুকাপ অৰ্ডাৰ আছিল যে, দিব পাৰিবা এতিয়া। থেংক ইউ।'

ৰূপমে সুহুৰিয়াই ৱাচৰূমৰপৰা ওলাই অহা দেখি নিয়ৰে ইণ্টাৰকমৰ জৰিয়তে ৰেষ্টুৰেণ্টত জনালে।

কম চাউণ্ডত টিভিটো চলি আছিল। পুৰণা চিনেমা। কৰিণা কাপুৰ আৰু ছাহিড কাপুৰৰ 'জব উই মেট'। কাপোৰ-কানি ভালদৰে পিন্ধি ৰূপমে কিং চাইজৰ বিছনাখনৰ আনটো মূৰত গাৰুটো থিয় কৰি আউজি বহি পৰিল, ঠিক নিয়ৰ বহা ষ্টাইলত।

'সব ঠিকেই আছেনে?'

'আছেতো, কিয় নাথাকিব? বৰগছ হয়।

নাম থকা ৰিজৰ্ট।’

নিয়ৰৰ উত্তৰ শুনি ৰূপম সন্তুষ্ট তথা আশ্বস্তও হ’ল, যদিও, সি আচলতে বৰগছৰ সুবিধা ভালনে বেয়া জানিবলৈ নিয়ৰৰ মতামত সোধা নাছিল। সি জানিব বিচাৰিছিল, এই ৰিজৰ্টত থাকি আৰু এই সময়কণত তাই কেনেকুৱা অনুভৱ কৰিছে? তাই সুখী নে? পৃথিৱীৰ সমগ্ৰ সমস্যা এফলীয়াকৈ এঠাইত এৰি থৈ আহি ৰূপমে নিয়ৰৰ সতে জীৱনটোক অন্বেষণ কৰিবলৈ আহিছে। কিমান সফল হয়, সেয়া সি নাজানে বা জানিবও নিবিচাৰে। সি মাত্ৰ জীৱনটোক তিল তিলকৈ উপভোগ্য কৰিব বিচাৰে।

‘কেতিয়াও সকলো শেষ হৈ নাজায়, জানা? আদিত্য আৰু গীতৰ কাহিনীটো ইমান কিউট ন?’

ৰূপমৰ কথাটো শুনা নাপালে, নিয়ৰে।

‘হুঃ কি কৈছিলা?’

মুখখন অভিমানত বেঁকাকৈ ফুলাই পুনৰ টিভিত মন দিলে ৰূপমে। কথাটো পুনৰাবৃত্তি কৰিবলৈ তাৰ মন নগ’ল।

ৰূপমৰ অভিমান বুজি পাই নিয়ৰে নিজৰ গাটো জোকাৰি যেন গধুৰ খোলা এটাৰ ভিতৰৰপৰা ওলাই আহিল আৰু ৰূপমৰ কাষলৈ আগবাঢ়ি আহিল। জটিলতানো কোনে ভাল পায়? কোনে বিচাৰে? সকলো কথা আৰু কাম সহজ আৰু উজু হোৱাটোৱেই সাধাৰণ মানুহে বিচাৰে। নিয়ৰ সাধাৰণ মানুহ, ৰূপমো। কিন্তু, সিহঁতে ভবাৰ দৰে সদায় কথাবোৰ সহজ নহয় বা হৈ নুঠে।

‘মই মাজে মাজে ক’ত হেৰাই যাওঁ, নিজেই নাজানো। বেয়া পাইছা?’ নিয়ৰে নিজৰ মাতষাৰত সমগ্ৰ আৱেগ ঢালি ক’লে।

ৰূপমে একো নামাতিলে। সি মাতিব নিবিচৰা নহয়, মাতষাৰ কিন্তু ওলাই নাহিল।

এইবাৰ নিয়ৰে তাক সাবটি ধৰি কপালত চুমা এটা আঁকি দিলে। স্পৰ্শৰ শক্তি আৰু প্ৰভাৱ হয়তো সকলোতকৈ প্ৰাচীন আৰু সুদূৰপ্ৰসাৰী। ৰূপমে এইবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাকৈ নোৱাৰিলে। লাহেকৈ সিয়ো নিজৰ খোলাটোৰ পৰা ওলাই আহিল আৰু নিয়ৰৰ প্ৰেমত লেউসেউ হৈ হাড় নথকা কুমজেলেকুৱা এটাৰ নিচিনা হৈ পৰিল। সি যেন নিয়ৰৰ সত্তাৰ মাজত বিয়পি পৰিব আৰু নিয়ৰ বিয়পি পৰিব তাৰ মাজত।

কোঠাটোৰ বায়ুমণ্ডলত প্ৰেম উদ্ভাসিত হৈ উঠিল। পোহৰৰ উৎস এটা ক’ৰবাৰপৰা আহি তাতে থিতাপি ল’লে। সেই পোহৰে দুয়োজনৰ শৰীৰ আৰু মন উদ্ভাসিত কৰি পেলালে। নিয়ৰ আৰু ৰূপমৰ মাজত এতিয়া এক বিন্দুও দূৰত্ব নাই, না শৰীৰ, না মনৰ। কলিংবে’লটো নবজালৈকে নিয়ৰ চকু মুদি ৰূপমৰ বুকুৰ মাজত সোমাই থাকিল। এই সময়কণ চিৰকালৰ বাবে যেন স্থবিৰ হৈ যাওক। এই সময়কণ দুয়োৰে বাবে মহীয়ান হৈ পৰক, দুয়ো মনেৰে তাকেই কামনা কৰিলে।

আশা কৰা মতে নিৰ্দিষ্ট সময়ত কলিং বে’লটো বাজি উঠিল।

‘প্লিজ কাম ইন!’

ৰূপমে অকণমান ডাঙৰ মাতেৰে দুৱাৰৰ সিফালে থকা জনে শুনিব পৰাকৈ ক’লে। কলিং

বে'লটো বজাৰ পৰা ৰূপমৰ 'প্লিজ কাম ইন'ৰ লৈকে নিয়ৰে উঠি গৈ দুৱাৰখন খুলি ৰেটাৰজনক ট্ৰে'খন থোৱাৰ ঠাই উলিয়াই দিলে আৰু লগতে ইংগিতেৰে তেওঁক দেখুৱায়ো দিলে। দুজনৰ কাৰণে চাহ কঢ়িয়াই অনা এটা গৰম হৈ থকা মিল্টনৰ ফ্লাস্ক, লগত এটা সৰু চিনামাটিৰ বাটিত চেনিৰ পেকেট দুটামান থকা ট্ৰে'খন যথাস্থানত থৈ ল'ৰাটোৱে নমনীয়তাৰে সুধিলে, 'আৰু কিবা লাগিব নেকি, মেম? যদি কিবা প্ৰয়োজন হয়, কাইন্দলি, ১২৩ নম্বৰত কৈ দিব পাৰিব।'

'ন' থেংক ইউ।'

'ইউ আৰ ম'ষ্ট ৱেলকাম।'

সুন্দৰ হাঁহি এটা মাৰি ল'ৰাজন ওলাই গ'ল। যাওঁতে সি দৰ্জাখন লাহেকৈ জপাই থৈ গ'ল। কোঠাটোত এখন সৰু টেবুল আৰু তাৰ কাষতে দুখন আৰামী চকী আছে। তাৰে এখনত বহি ৰূপমক বিছনাৰপৰা নামি আহিবলৈ ইংগিত দিলে যদিও সুধিলে,

'তাতেই ল'বা নেকি চাহৰ কাপটো?'

'নাই, মই গৈ আছোঁ ৰ'বা।'

দুয়ো চাহৰ কাপত চুমুক দি কথাৰ মহলা মাৰিবলৈ বহিল। নিয়ৰক ফুৰিবলৈ লৈ অনাৰ কিছুমান কাৰণৰ ভিতৰত অন্যতম হ'ল তাইৰ মানসিক স্থিতি। তাই সদায় সৰু কথা এটা লৈও বহুত চিন্তা কৰে, অভাৰ থিংকিং কৰে। ফলত সাধাৰণতে তাই ডিপ্ৰেছনৰ অন্ধকাৰ কুপত সোমাই পৰে। আজি তাইৰ মনটো মুকলি। বনাই লোৱা দুখেৰে মুখৰিত নহয়! ৰূপমৰ ভাল লাগিল। সকলো পাহৰি, দুয়ো সিহঁতৰ বৰ্তমান, অতীত আৰু ভৱিষ্যতকলৈ কথা পাতিলে। মুকলি মনেৰে পতা কথাবোৰে সিহঁতৰ মনত হয়তো নতুনত্বৰ সঞ্চাৰ কৰিব। জীৱনটো লাঘৱ কৰিব। জীয়াই থাকিবলৈ শক্তি পাব, কাৰণ, জীয়াই থাকিবলৈও যে শক্তিৰ প্ৰয়োজন। ❑

(আগলৈ)

*(দুঃস্বপ্নৰ পিছৰ খণ্ডটি প্ৰকাশ পাব 'কথা-কাঞ্চন, জুন ২০২৬' সংখ্যাত)*

## গল্‌ফীৰ ডায়েৰি ঃ মৌচুমী বৰি

জয়ৰাম ককাইদেউৰ ঘৰলৈ কেৰেলাৰপৰা আলহী আহিব। পিছে কিবা এটা জৰুৰী কামত তেওঁ ঘৰৰ পৰা ক্ষন্তেক ওলাই যাব লগা হোৱাত ঘৰত থকা কাম কৰা ল'ৰাটোক ক'লে -- "আজি কেৰেলাৰপৰা আলহী আহিব। আলহী আহিলে বহিবলৈ দিবি আৰু সেৱা শুশ্ৰূষা কৰিবি" - এইবুলি কৈ ককাইদেউ ওলাই গ'ল।

অলপ দেৰিৰ পিছতে ককাইদেউৰ ঘৰত কেৰেলা বেচা বেপাৰী এটা ওলালহি। কাম কৰা ল'ৰাটোৱে ভাবিলে -- "এইজনেই আলহীজন!" সি বেপাৰীজনক আথে-বেথে ভিতৰলৈ মাতিলে। বেপাৰীজনে পিছে তাৰ কথালৈ কাণ নিদি যাবলৈ ওলাল। ল'ৰাটোৱেও নাচোৰবান্দা হৈ আগচি ধৰি ক'লে -- "আপোনাক যাব নিদিওঁ। দেউতাই আপোনাক সেৱা শুশ্ৰূষা কৰিব কৈছে। বলক ভিতৰলৈ।"




পম্পী শৰ্মা খাউণ্ড, গুৱাহাটী

## ● মানধনীয়া পাতেৰে ৰন্ধা হাহঁৰ মাংস



**উপকৰণ ঃ**

- হাঁহৰ মাংস ঃ ১কেজি
- আলু ঃ ২/৩ টা (কাটি লোৱা)
- পিয়াঁজ ঃ ৪/৫ টা (কাটি লোৱা)
- আদা, নহৰু পেষ্ট ঃ ২/৩ চামুচ
- জালুক গুৰি ঃ ২ চামুচ
- জীৰা গুৰি ঃ ১ চামুচ
- ধনীয়া গুৰি ঃ ১ চামুচ
- মিট মছলা ঃ ১ চামুচ
- জলকীয়া গুৰি ঃ ১ চামুচ
- জলকীয়া ঃ ২/৩ টা
- নিমখ, হালধি, তেলঃ জোখ অনুপাতে
- মানধনীয়া পাত ঃ ২ মুঠি
- শুকান জলকীয়া ঃ ২ টা
- তেজপাত ঃ ২ টা

**প্ৰণালী ঃ**

প্ৰথমতে হাঁহৰ মাংস খিনি ধুই নিমখ, হালধি, ধনীয়া গুৰি, জলকীয়া গুৰি, জীৰা গুৰি, তেল দি আধা ঘণ্টা মান সময় মেৰিনেট কৰি থব।

এতিয়া এখন কেৰাহিত তেল দি শুকান জলকীয়া, তেজপাত দিব । লগত কাটি লোৱা পিয়াঁজ, আদা, নহৰু পেষ্ট, জালুক গুৰি, জলকীয়া দি অলপ সময় ভাজি লৈ মেৰিনেট কৰি থোৱা হাঁহৰ মাংসখিনি দিব অলপ সময়

ভাজি থাকিব। তাৰ পিছত হিচাপ মতে পানী দি মাংসখিনি সিজিবলৈ দিব। যেতিয়া মাংসখিনি সিজিব ওপৰত মানধনীয়া পাত কাটি দি গৰমে গৰমে পৰিবেশন কৰক।

## ● খাৰেৰে ৰন্ধা কুকুৰা মাংস



*(এবিধ খাদ্য সাধাৰণতে গাৰো জনগোষ্ঠীৰ প্ৰিয় খাদ্য)*

**উপকৰণ ঃ**

- কুকুৰা মাংস ঃ আধা কেজি/এক কেজি
- খাৰ ঃ ১ চামুচ
- পিয়াজঁ ঃ ২ টা
- কেঁচা জলকীয়া/ ভূট জলকীয়া ঃ ১ টা
- আদা ঃ ১ টুকুৰা
- নহৰু ঃ ৫ ফুটা
- তেজপাত ঃ ২ খিলা
- নিমখ ঃ জোখ অনুপাতে
- কেঁচা ধনীয়াপাত ঃৰমুঠি



**প্ৰণালী ঃ**

প্ৰথমে মাংসখিনি ধুই টুকি ল'ব। এতিয়া পিয়াজঁ, আদা, নহৰু, কেঁচা জলকীয়া পেষ্ট কৰি ল'ব।

এতিয়া এখন কেৰাহি গেছত গৰম কৰি মাংসখিনি ধালি লৰাই ঢাকণ মাৰি দিব। যেতিয়া মাংসখিনিৰ পৰা তেল উলাব তেতিয়া পেষ্ট কৰি লোৱা পিয়াজঁ, আদা, নহৰু, কেঁচা জলকীয়াৰ পেষ্টখিনি দি ভালদৰে লৰাই দিব। লগত নিমখ দিব। যেতিয়া মাংসখিনি সিজিব তেতিয়া খাৰ চামুচ দি হিচাপ মতে পানী দি উতলিবলৈ দিব। যেতিয়া মাংসখিনি উতলি জোলখন ডাঠ হ'ব তেতিয়া কেঁচা জলকীয়া আৰু কেঁচা ধনীয়া পাত কাটি নমাই দি গৰমে ভাতৰ লগত পৰিৱেশন কৰক। এইবিধ ব্যঞ্জন খাবলৈ খুব সোৱাদ ভৰা হয়।❑

# চেনেহৰ ব'হাগ বিহু

ৰাজশ্ৰী হাজৰিকা, গুৱাহাটী

বসন্তৰ আগমনৰ লগে লগে মানুহৰ মনবোৰো ফৰকাল, ফৰকাল অনুভৱ হয়। কুলি চৰাইৰ কু -উ, কু-উ, মিঠা মাতে জাননী দিয়ে ব'হাগ বিহুৰ আগমনৰ খবৰ। বসন্তৰ এজাক বৰষুণত শুকাই

লঠঙা হোৱা গছবোৰ ঠন ধৰি উঠে জাকত জিলিকাকৈ গছবোৰ, সজীৱ পাত আৰু ফুলেৰে সজ্জিত হৈ সুন্দৰ হয়। নাহৰ, তগৰ, কপৌফুল, ভাটৌফুল, এজাৰ, জাই, যুতি, মালতী, কেতেকী ফুলৰ সুগন্ধি সুবাসেৰে গোটেইখন আমোলমোল কৰি তোলে। পাহাৰে ভৈয়ামে দশোদিশ গছে, পাতে বননিৰে বিনন্দীয়া ৰূপৰ সান্নিধ্যই প্ৰতিজন অসমীয়াৰ মন ভৰাই তোলে।

ৰঙালী বিহু হৈছে অসমৰ আনন্দৰ উৎসৱ। জাতি ধৰ্ম নিৰ্বিশেষে সকলোৰে মিলি এই বিহু পালন কৰে। হিয়াৰ আঁমঠু বাপোতিসাহোন ৰঙালী বিহুৰ আগমনৰ লগে লগে অসমীয়া মানুহৰ মনবোৰো প্ৰফুল্ল হৈ উঠে।

সংস্কৃতি হৈছে সৌন্দৰ্য, সৃষ্টিৰ প্ৰতিভা, সমন্বয়ৰ সৃষ্টি, মানৱতাবোধ, এই সকলোবোৰ বিহুৰ নিয়ম-নীতিসমূহৰ মাজেৰে প্ৰতিফলিত হয়। ৰঙালী বিহুয়ে সাজি-কাঁচি আহি অসমীয়া সমাজৰ মাজত মধুৰ ধাৰাৰ প্ৰৱাহিত কৰে। ঢোল, পেঁপা, গগনাৰ মাতেৰে ৰজনজনাই থাকে গাঁও, চহৰ, নগৰ...। বৰপথাৰৰ আহত জোপাৰ তলত গৰখীয়াসকলে বাঁহী বজাই নিবিড়ভাবে। চহৰৰ বিহুতলীত নাচনীৰ নাচোনৰ তালে তালে, ঢুলীয়াৰ ঢোলৰ চেৱে চেৱে, পেপাৰ মাতেৰে আদৰি আনে মৰমৰ বিহুটিক। নতুন আৰু পুৰণি প্ৰজন্মই একেলগে উদযাপন কৰে ৰঙালী বিহু। পৰম্পৰা অনুসৰি অসমীয়াৰ জাতীয় সাজ-পোছাক পৰিধান কৰা হয়। পুৰুষসকলে চুৰিয়া, পিৰন আৰু গামোচা লয়, মহিলাসকলে মেখেলা চাদৰ পৰিধান কৰে। পাট, মুগাৰ কাপোৰ অসমৰ আপুৰুগীয়া সম্পদ।



সোণালী সূতাৰে তৈয়াৰী অসমীয়াৰ মুগাৰ সাজযোৰ বহুত মুল্যবান। ইয়াক প্ৰাকৃতিক উপাদানেৰে সূতা তৈয়াৰ কৰি উলিওৱা হয়।

শিপিনী সকলে বহুত যত্নৰে সজাই পৰাই তুলি ধৰে বাছকবনীয়া কৰি মেখেলা চাদৰ, পিৰন, গামোচা, ৰিহা আদি।

কেঁচা, পকোৱা সূতাৰে তৈয়াৰী গামোচা, চেলেং চাদৰ সকলোবোৰে বিহুৰ সময়ত তাত শাঁলত ব'ই উলিয়ায়। যিহেতু মুগাৰ মেখেলা চাদৰৰ দাম বৃদ্ধি পাইছে সেয়ে আজিকালি কেঁচা

মুগা অৰ্থাৎ ‘টছ’ মুগাৰ চাহিদা বাঢ়িছে।

বিহুৰ আগমনে অসমৰ জন জীৱনলৈ প্ৰতি বছৰে নতুনত্বৰ প্ৰভাৱ আনে আৰু বছৰটোলৈ সুচাৰুৰূপে জীৱন-যাপন কৰিবলৈ সহায় হয়।

চ’তৰ মাহৰ আগমনৰ লগে লগে শিপিনীসকলে ফুলাম গামোচা ববলৈ আৰম্ভ কৰে তেওঁলোকৰ নিখুঁত তাঁত শালত বোৱা ফুলৰ চানেকীৰে বজাৰত বিভিন্ন ধৰণৰ গামোচা এৰি দিয়ে আৰু এই গামোচাসমূহে চেনেহৰ এনাজৰীৰে অসমীয়া জাতিটোক বান্ধি ৰাখিছে। পৰম্পৰা অনুসৰি সকলোৰে এই বিহুত বিহুৱান লয়। শিপিনী সকলে বিক্ৰী কৰা গামোচা ঘৰলৈ কিনি আনে আৰু পানীৰে অখালি ল’ই ৰ’দত শুকুৱাই মানুহৰ বিহুৰ দিনাখন সকলোৰে বিহুৱান লয়। ইজনে, আনজনক শুভেচ্ছা জ্ঞাপন কৰে। ব’হাগ বিহু সাত দিন পালন কৰা হয় ।
১। গৰু বিহু, ২। মানুহৰ বিহু ৩। গোসাঁই বিহু, ৪। তাঁত শালৰ বিহু ৫। নাঙলৰ বিহু ৬। চেনেহী বিহু ৭। চেৰা বিহু

এই সাত বিহুয়ে আমাৰ মাজত আধ্যাত্মিকতাৰ ভাবধাৰা আৰু সহনশীলতাৰ কথা শিকায়। সাজপাৰৰ লগত সংগতি ৰাখি নাচনী, ছোৱালী, বোৱাৰীসকলে আ- অলংকাৰ পৰিধান কৰে - কেৰু, মণি, থুৰীয়া, গামখাৰু, জোনবিৰি, গলপতা। হাতত জেতুকা পাতৰ ৰং সানি নতুন ৰূপত সজাই পৰাই লয়।

ঠায়ে ঠায়ে বিহু মঞ্চত অনুষ্ঠিত হয় বিহু সম্পৰ্কীয়
বিভিন্ন অনুষ্ঠান। বিহুনাম, দিহানাম, বিভিন্ন ধৰণৰ খেল-ধেমালিৰে বিহুৰ তলি অনন্দময় কৰি তোলে।



নামঘৰ, সত্ৰসমূহ, মন্দিৰলৈ গৈ গোঁসাই সেৱা জনাই আশীৰ্বাদ লয়। মানুহৰ জীৱনলৈ, সমাজলৈ, বিভিন্ন ধৰণৰ সমস্যা আহে। সমস্যা সমূহে মানুহৰ জীৱনলৈ হতাশাৰ সৃষ্টি কৰি সমাজ মষিমূৰ কৰি নিবলৈ বিচাৰে যদিও সকলো সমস্যা নেওচি বসন্তই লৈ আহে ৰঙালী বিহুক। প্ৰতিজন অসমীয়াৰ প্ৰাণ সজীৱ হৈ উঠে। বিহুৰ আগমনৰ লগে লগে লাৰু, পিঠা সমাহাৰ হয় প্ৰতিখন ঘৰত। আলহী আপ্যায়নৰ বাবে ঘৰসমূহত উখল -মাখল পৰিবেশৰ সৃষ্টি হয়। প্ৰকৃতিয়ো নতুন ৰূপত সজাই নিজকে, বিভিন্ন জনৰ কলমত ধৰা দিয়ে - নৱ ৰস, নতুন ধাৰা আৰু ৰূপ গুণৰ সৌন্দৰ্যময় বিৱৰণ।

উত্তৰ পূৰ্বাঞ্চলৰ সাত ভনী, নগা, বড়ো, কছাৰী, কাৰ্বি, মিৰি, মিচিং, ৰাভা আদি, সকলোৰে ভিন ভিন ধৰণেৰে পালন কৰে।

লোক সংস্কৃতিসমূহ সজীৱ কৰি ৰখাত বিহুৱে যথেষ্ট অৰিহণা যোগায়। লোকাচাৰ, গুণাচাৰ, লোকবিশ্বাস অনুসৰি সাত বিহুৰ ভিতৰত সাত শাক খোৱা নিয়ম আছে।

আয়তি সকলে নানা গীত মাতেৰে, ৰং ধেমালিৰে শাকনি-বাৰীৰ পৰা সাত বিধ শাক তুলি আনি সেইবোৰ ধুই পখালি সকলোৰে নিজৰ নিজৰ ঘৰলৈ নিয়ে আৰু পৰম তৃপ্তিৰে এসাঁজ লগে ভাগে খায়। ইয়াৰ কিছুমান ঔষধি গুণ আছে।

ব’হাগৰ সাত বিহুৰ ভিতৰত, মাহ, নিম, শুকান মৰাপাট (শুকুতি) শেৱালি ফুল, দৈ পইতা-ভাত গাজ, পচলা, কচু, টেঙা, গুৰ মিঠৈ ইত্যাদি খোৱা নিয়ম আছে।

এই বস্তুসমূহৰ কিছুমান শৰীৰৰ বেমাৰ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা আছে। পুৰণিকালৰ পৰাই এই পৰম্পৰা চলি আহিছে আৰু বৰ্তমানো চলি আছে। এতিয়া এইসমূহৰ নিয়ম সলনি হৈছে।

বজাৰত ওলোৱা বিভিন্ন ধৰণৰ ঢেকীয়া, কচু, বেটৰ গাজ, তিতা, শাক, কঠালৰ মুচি, আমৰ মলি, তৰাৰ গাজ আদি সকলোখিনিয়ে পায় যিহেতু এনে দৰেই নিয়ম নীতিসমূহ চলি গৈ আছে।

বিদেশতো সমাদৰ পায় আহিছে বিহু নৃত্য, বিহুৰ সাজ-পোচাক। বিহু হৈছে অসমৰ অসমীয়া জাতিৰ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এটা জাতিৰ পূৰ্ণ পৰিচয় দিয়ে জাতিটোৰ লোক- কৃষ্টি, ক'লা, সংস্কৃতিৰ, জৰিয়তে প্ৰতিজনৰ মাজত আনি দিয়ে সদভাব, আত্মীয়তাবোধৰ লগতে হৃদয়ৰ স্পন্দনত বিহুয়ে প্ৰতিধ্বনি তোলে মানৱতাৰ। মানসিক উৎকৰ্ষ সাধনৰ প্ৰধান ঔষধি গুণ সম্পন্ন আমাৰ এই বিহু।


নতুন বছৰৰ আৰম্ভণিৰ প্ৰথম ভাগতে বিহুৰ যিবোৰ নিয়ম-নীতি পূৰ্বপুৰুষে দি থৈ গৈছে সেইবোৰ সূক্ষ্ম দৃষ্টিৰে চাবলৈ গ'লে একো একোটা থেৰাপী।

লঘোনে থাকি গোসাঁই ঘৰত সেৱা জনোৱা, নতুন বিহুৰান, বিহুনৃত্য, খাদ্য সম্ভাৰ, প্ৰাণখুলি হঁহা, খেল-ধেমালি, ভাৱৰ আদান-প্ৰদান কৰা সকলোবোৰ একো একোটা মানসিক বিকাশ আৰু মানুহে মানুহক বুজিব পৰা শিক্ষা। এখন সমাজত বসবাস কৰিবলৈ শিশু অৱস্থাৰে পৰা শিকাই লৈ যোৱা পৰম্পৰা। ব'হাগ মাথোঁ এটি বিহু নহয় ব'হাগ হ'ল অসমীয়া জাতিৰ মান। এফাঁকি বিহু, এখনি গামোচা এধানি মৰমৰ মৌচাক।

বৰ্তমান উচ্চপ্ৰযুক্তিৰ বাবে মানুহৰ চিন্তাধাৰা বহুত অগ্ৰগতিত আগবাঢ়ি গৈছে যদিও জাতীয় সংস্কৃতিৰ স্বকীয়তা অটুত ৰখাটো সকলোৰে এটা দায়িত্ব আৰু কৰ্তব্য। সেয়ে চেনেহৰ বিহুটিলৈ হেঁপাহেৰে বাট চাওঁ প্ৰতিবছৰে আৰু সকলোৰে এনেকৈয়ে ৰঙালী বিহু বা ব'হাগ বিহু উদযাপন কৰো আগ্ৰহেৰে। ❑

## গল্ফীৰ ডায়েৰি ঃ মৌচুমী বৰি

বিপুলে কাম এটাত শহুৰেকৰ ঘৰলৈ গৈছিল। সি কথা খুব কমকৈ কয়। আচলতে সি বোলে কথা ক'বলৈ কথাই বিচাৰি নাপায়। সিদিনা ড্ৰয়িং ৰুমত শহুৰেকৰ স'তে সি বহি আছিল। দুয়োৰে মাজত নীৰৱতা। বিপুলে কথা পাতিবলৈ কথা বিচাৰি ফুৰিছে মনৰ মাজত। ভাবি ভাবি সি কথা এটা বিচাৰি পালে। শহুৰেকক সুধিলে --



"দেউতা আপুনি বিয়া পাতিলে নাই?"

# সাম্প্ৰতিক ঘটনা প্ৰৱাহ


✍ **অন্তৰীক্ষা চেতিয়া,** নামৰূপ

## ➢ সাধনাৰ স্বীকৃতি — ‘কড়ি খেলাৰ সাধু’ৰ বাবে সাহিত্য অকাডেমি বঁটা দেৱব্ৰত দাসলৈ

ৰামধেনু যুগৰ পৰৱৰ্তী কালৰ প্ৰসিদ্ধ গল্পকাৰ, ঔপন্যাবসিক দেৱব্ৰত দাসসহ ৰাজ্যৰ দুগৰাকী বৰেণ্য ব্যক্তিলৈ আগবঢ়োৱা হৈছে ২০২৫ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা। গল্পকাৰ দাসৰ উপৰিও সাহিত্যিক ছাহাইছুলি ব্ৰহ্মলৈ আগবঢ়োৱা হৈছে উক্ত বঁটা। অসমীয়া ভাষা শিতানত ‘কড়ি খেলাৰ সাধু’ শীৰ্ষক উপন্যাসৰ বাবে দেৱব্ৰত দাসলৈ আগবঢ়োৱা হৈছে সাহিত্য অকাডেমিৰ বঁটা। আনহাতে বড়ো ভাষাৰ শিতানত সাহিত্য একাডেমী বঁটা লাভ কৰিছে কোকৰাঝাৰৰ ছাহাইছুলি ব্ৰহ্মই। ‘দোৰলৈ লামাঃ সোমনে গাথোন’ শীৰ্ষক গ্ৰন্থৰ বাবে তেখেতে লাভ কৰিছে সাহিত্য অকাডেমিৰ বঁটা।

## ➢ মহিলা হকী বিশ্বকাপৰ বাবে যোগ্যতা ভাৰতৰ

এফআই এইচ হকী বিশ্বকাপ কোৱালিফায়াৰত ৰেংকিঙৰ উচ্চস্থানৰ দল ইংলেণ্ডৰ হাতত পৰাস্ত হৈ শনিবাৰে ৰানাৰ্ছআপৰ সন্মান লাভ কৰে ভাৰতীয় মহিলা দলে। ইংলেণ্ডে ভাৰতক পৰাস্ত কৰে ২-০ গলত। অৱশ্যে, ইংলেণ্ডৰ হাতত পৰাস্ত হ'লেও হকী বিশ্বকাপৰ বাবে যোগ্যতা অৰ্জন কৰে ভাৰতীয় মহিলা দলটোৱে। বিশ্বক্ৰমৰ ছয় নম্বৰ স্থানৰ দল ইংলেণ্ডৰ হৈ খেলৰ ১৩ মিনিটত পেনাল্টী কৰ্ণাৰ কাৰ্যকৰী কৰি প্ৰথম গ'লটো দিয়ে গ্ৰেচ বালছডনে। খেলৰ ৪৩ মিনিটত দলৰ অগ্ৰগতি দুগুণ কৰে এলিজাবেথ নীলে। ভাৰতৰ বিশ্ব ৰেংক ৯। খেলখনত ভাৰতে সাহসেৰে যুঁজিছিল যদিও গ'ল দিবলৈ সক্ষম নহ'ল। চেম্পিয়ন ইংলেণ্ডে, ৰানাৰ্ছআপ ভাৰতৰ লগতে স্কটলেণ্ডে এই প্ৰতিযোগিতাৰপৰা বিশ্বকাপৰ বাবে যোগ্যতা অৰ্জন কৰে। এইবাৰৰ বিশ্বকাপ যুটীয়াভাৱে আয়োজন কৰিছে নেডাৰলেণ্ডছ আৰু বেলজিয়ামে। প্ৰতিযোগিতাখন ১৪-৩০আগষ্টত অনুষ্ঠিত হ'ব।



## ➢ আকাশত বিমান উৰাই ভাইৰেল নিউজিলেণ্ডৰ অলৰাউণ্ডাৰ

নিউজিলেণ্ডৰ অলৰাউণ্ডাৰ গ্লেন ফিলিপিছে কেৱল ক্ৰিকেটৰ পথাৰতেই নহয়, আকাশত বিমান উৰায়ো প্ৰদৰ্শন কৰিছে দক্ষতা। বৰ্তমান নিউজিলেণ্ড ক্ৰিকেটৰ অন্যতম স্তম্ভ আৰু বিশ্বৰ অন্যতম শ্ৰেষ্ঠ ফিল্ডাৰ হিচাপে

নিজকে প্ৰতিষ্ঠা কৰা এই ক্ৰিকেটাৰ এজন চাৰ্টিফাইড পাইলট। শেহতীয়াকৈ ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱা এক ভিডিঅ'ত ফিলিপছক এখন 'ছেছনা-১৭২' লঘু বিমান অত্যন্ত দক্ষতাৰে চলোৱা আৰু নিৰাপদে অৱতৰণ কৰা দেখা গৈছে। যোৱা বছৰ তেওঁ প্ৰাইভেট পাইলট লাইচেন্স লাভ কৰিছিল। বৰ্তমান তেওঁ কমাৰ্চিয়েল পাইলট লাইচেন্স লাভ কৰাৰ লক্ষ্যৰে নিজৰ কাম কৰিছে। নিজৰ ইনষ্টাগ্ৰাম পোষ্টত অকলেণ্ড চহৰৰ ওপৰেৰে বিমান চলোৱাৰ অভিজ্ঞতা শ্বেয়াৰ কৰি এয়া তেওঁৰ 'বিশাল পেছন' বুলি মন্তব্য কৰিছে। লগতে ক্ৰিকেটৰ পাছতেই এভিয়েছনক নিজৰ প্ৰথম পেছা হিছাপে বাছি লোৱাৰ ইচ্ছাও প্ৰকাশ কৰিছে।

## ➢ অহা বছৰৰ ২৯ অক্টোৱৰৰ পৰা যুৱ কমনৱেলথ গেমছ

অহা বছৰৰ ২৯ অক্টোৱৰৰ পৰা ৪ নৱেম্বৰলৈ মল্টা আৰু গজোত অনুষ্ঠিত হ'ব যুৱ কমনৱেলথ গেমছৰ অষ্টম সংস্কৰণ। ২৯ অক্টোবৰত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পাছত ৩০ অক্টোবৰৰ পৰা চলিব বিভিন্ন ইভেণ্টৰ প্ৰতিদ্বন্দ্বিতা। যুৱ কমনৱেলথ গেমছত থাকিব আঠটা ইভেণ্ট। ইভেণ্টকেইটা হৈছে সাঁতোৰ, পেৰা সাঁতোৰ, এথলেটিকছ, পেৰা এথলেটিকছ, নেটবল, ছেইলিং, স্কোৱাছ, ট্ৰায়াথলন, ৰাটাৰপ'লো আৰু ভাৰোত্তোলন।

## ➢ ভুৱনেশ্বৰত বিশ্ব ইনড'ৰ এথলেটিকছ

ভুৱনেশ্বৰস্থিত কলিংগ ইনড'ৰ ষ্টেডিয়ামত ২০২৮ চনত অনুষ্ঠিত হ'ব বিশ্ব ইনড'ৰ এথলেটিকছ চেম্পিয়নশ্বিপ। ভাৰতীয় এথলেটিকছ ফেডাৰেশ্বনে এই কথা ঘোষণা কৰিছে। পোলেণ্ডৰ তৰানাত অনুষ্ঠিত বিশ্ব এথলেটিকছ পৰিষদৰ বৈঠকত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দায়িত্ব ভাৰতক দিয়া হয়। ২০২৬ বৰ্ষৰ বিশ্ব ইনড'ৰ এথলেটিকছ চেম্পিয়নশ্বিপ শুকুৰবাৰৰ পৰা পোলেণ্ডত আৰম্ভ হৈছে। উল্লেখ্য ভাৰতীয় এথলেটিক ফেডাৰেশ্বনে চলিত বৰ্ষৰ আৰম্ভণিতে বিশ্ব ইনড'ৰ চেম্পিয়নশ্বিপ আয়োজনৰ স্বত্ব বিচাৰিছিল। বিশ্ব এথলেটিকছ পৰিষদৰ দুজনীয়া প্ৰতিনিধিয়ে এই বছৰৰ জানুৱাৰী মাহত ভুৱনেশ্বৰ কলিংগ ষ্টেডিয়াম চৌহদ নিৰ্মাণ কৰা অত্যাধুনিক ইনড'ৰ হ'লৰ সা-সুবিধাৰ বুজ লৈছিল। এই ষ্টেডিয়ামটোত ২৪-২৫ মাৰ্চত অনুষ্ঠিত কৰা হ'ব প্ৰথমবাৰৰ ৰাষ্ট্ৰীয় ইনড'ৰ এথলেটিকছ চেম্পিয়নশ্বিপ। এই স্থানতে ২০২৮ বৰ্ষৰ এছিয়ান ইনড'ৰ এথলেটিকছ সন্থাৰ বিশেষজ্ঞৰ দলে যোৱা মাহত কলিংগ ষ্টেডিয়ামৰ ইনড'ৰ হলটো পৰিদৰ্শন কৰি গৈছে। উল্লেখ্য, ভাৰতত অন্তিমবাৰ বিশ্ব পৰ্যায়ৰ এথলেটিকছ চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছিল ২০০৪ চনত। সেইবাৰ দিল্লীত আয়োজন কৰা হৈছিল বিশ্ব হাফ মাৰাথন। ❑

ই-মেইলঃ antariksachetia@gmail.com

# লক্ষ্যবিহীন

**বিতোপন লুখুৰাখন,** চৰাইদেউ

মা, মোৰ বৰ বেয়া
পঢ়় পঢ় কৰে।
নপঢ়াৰ বাবে বাইয়ে
গালি পাৰি থাকে।

পঢ়া টেবুলত বহি লৈ
মূৰ গৰম উঠে
ইমান কঠোৰ অংকবোৰ
কোনে কৰি মৰে।

অসমীয়াখন ভালপাওঁ
কবিতাবোৰ মাতি
ভাত খাবলৈ কেতিয়া মাতিব
তাকে থাকোঁ ভাবি।

লক্ষ্যবিহীন জীৱন মোৰ
কি হ'ব গতি?
ৰক্ষা কৰা দয়াময় মোক
দিয়া উচিত বুদ্ধি।❑



# চিত্ৰ-বীথিকা



**ৰোহিত পেগু,** তৃতীয় শ্ৰেণী
জ্ঞান জ্যোতি একাডেমী, নাৰায়ণপুৰ



**প্ৰেৰণা দলে**
ষষ্ঠ শ্ৰেণী, জ্ঞান জ্যোতি একাডেমী, নাৰায়ণপুৰ

# স্থাপত্য-ভাস্কৰ্য



ফটো ঃ কাব্যা গৌতম

ভাৰতৰ তেলেংগানাৰ মেডাকৰ ‘মেডাক কেথেড্ৰেল’ ভাৰতৰ অন্যতম বৃহৎ গীৰ্জা। ইয়াৰ নিৰ্মাণ কাৰ্য ১৯১৪ চনত আৰম্ভ হৈছিল আৰু ১৯২৪ চনত সম্পূৰ্ণ হৈছিল। ব্ৰিটিছ স্থপতিবিদ এডৱাৰ্ড হাৰ্ডিন গৰ্ডনে ইয়াৰ নক্সা প্ৰস্তুত কৰিছিল। এই গীৰ্জাখন “গথিক ৰিভাইভেল” শৈলীত নিৰ্মাণ কৰা হৈছে। ইয়াৰ শিখৰটো প্ৰায় ১৭৩ ফুট ওখ। মেডাক কেথেড্ৰেলৰ আটাইতকৈ আকৰ্ষণীয় বৈশিষ্ট্য হ’ল ইয়াৰ বিশাল ৰঙীন কাঁচৰ খিৰিকীবোৰ। এই কাঁচৰ ছবিবোৰত যীশুখ্ৰীষ্টৰ জীৱনৰ গুৰুত্বপূৰ্ণ ঘটনা যেনে- জন্ম, ক্ৰুচবিদ্ধ হোৱা আৰু পুনৰুত্থান অতি সুন্দৰকৈ চিত্ৰিত কৰা হৈছে। এই বিশাল কেথেড্ৰেলখনত একেলগে প্ৰায় ৫,০০০ লোকে প্ৰাৰ্থনা কৰিব পাৰে। ধৰ্মীয় আৰু স্থাপত্যৰ অপূৰ্ব নিদৰ্শন হিচাপে মেডাক কেথেড্ৰেল বৰ্তমান দক্ষিণ ভাৰতৰ এক অন্যতম প্ৰধান পৰ্যটন কেন্দ্ৰ।